# তিতাবৰ অঞ্চলৰ ঠাইৰ নামৰ তাৎপৰ্যঃ এক অধ্যয়ন

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক ষষ্ঠ ষান্মাসিকৰ অসমীয়া DSE-3(H) কাকতৰ প্ৰয়োজন পূৰ্তিৰ বাবে প্ৰস্তুত কৰা প্ৰকল্প


তত্ত্বাৱধায়ক
ড° দেৱপ্ৰতীম হাজৰিকা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা
শ্ৰীমতী নৱনীতা দাস
স্নাতক ষষ্ঠ ষান্মাসিক
অসমীয়া বিভাগ
ৰোল নং: ৩০৮১০১২২
বিশ্ববিদ্যালয় পঞ্জীয়ন নং: S1921676



নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ
ইং ২০২২ বৰ্ষ

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট, অসম, পিন- ৭৮৫৬৩০


প্রসঙ্গ নং.........

তাৰিখ ঃ ০৭০৭.২০২২

**প্ৰমাণ পত্ৰ**

শ্ৰীমতী নৱনীতা দাস স্নাতক ষষ্ঠ যান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮৬০৬২২) ৰ ছাত্ৰী। তেওঁ ড° দেৱপ্ৰতীম হাজৰিকাৰ তত্বাৱধানত **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ **"তিতাবৰ অঞ্চলৰ ঠাইৰ নামৰ তাৎপৰ্য ঃ এক অধ্যয়ন"** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ,
নন্দনাথ শইকীয়া মহাবিদ্যালয়,
তিতাবৰ।

Head
Department of Assamess
Nanda Nath Saikia College
Titabar

ড° দেৱপ্ৰতীম হাজৰিকা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট- ৭৮৫৬৩০

ভ্ৰাম্যভাষ : ৭০০২৮৬২৫৭১
ইমেইল : dprotim@gmail.com

প্ৰসংগ নং ____

তাৰিখ : ১১/০৭/2022

## প্ৰমাণ পত্ৰ

ইয়াৰ দ্বাৰা প্ৰমাণ পত্ৰ দিয়া হয় যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া (উচ্চমান) বিষয়ৰ **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰস্তুত কৰিবলগা প্ৰকল্পৰ বাবে শ্ৰীমতী নৱনীতা দাসে মোৰ তত্বাৱধানত **তিতাবৰ অঞ্চলৰ ঠাইৰ নামৰ তাৎপৰ্য : এক অধ্যয়ন** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। প্ৰকল্পৰ বাবে কৰা ক্ষেত্ৰ অধ্যয়ন তেওঁৰ নিজা প্ৰচেষ্টাৰ ফল। ছাত্ৰীগৰাকীয়ে প্ৰকল্পৰ বাবে প্ৰয়োজনীয় সকলো নিয়ম আৰু গৱেষণা পদ্ধতি মানি চলিছে। প্ৰকল্পৰ কোনো অংশ তেওঁ পূৰ্বতে প্ৰকাশ কৰা নাই।

তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

দেৱপ্ৰতীম হাজৰিকা

(ড° দেৱপ্ৰতীম হাজৰিকা)

Department of Assamese
Date ..............
Nandanath [illegible] College, Titabar

# সূচীপত্ৰ


| | |
|---|---|
| **কৃতজ্ঞতা জ্ঞাপন** | ক |
| **তত্ত্বাৱধায়কৰ একলম** | |
| ০.০০ **অৱতৰণিকা** | খ-গ |
| ০.০১ বিষয়ৰ পৰিসৰ | |
| ০.০২ বিষয়ৰ উদ্দেশ্য | |
| ০.০৩ বিষয় অধ্যয়নৰ পদ্ধতি | |
| ০.০৪ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা | |
| ১.০০ **প্ৰথম অধ্যায়** | ১-১০ |
| ১.০১ নামতত্ত্বৰ ইতিহাস | |
| ১.০২ নামতত্ত্বৰ পৰিচয় | |
| ২.০০ **দ্বিতীয় অধ্যায়** | ১১-১৪ |
| ২.০১ তিতাবৰৰ ইতিহাস | |
| ৩.০০ **তৃতীয় অধ্যায়** | ১৫-২৩ |
| ৩.০১ তিতাবৰ অঞ্চলৰ ঠাইৰ নামৰ ইতিহাস | |
| বগাৰ গাঁও | |
| ধলী-মলিয়া গাঁও | |
| ধলী-কোষ মলিয়া | |
| বাঘৰচুক | |
| তামোলবাৰী | |
| পাণবাৰী | |
| বুঢ়াগাঁও | |
| বেবেজীয়া গাঁও | |
| নগাঁও | |
| সোণালী গাঁও | |
| তাঁতী গাঁও | |
| কাঞ্চন নগৰ | |
| কাৰলিবাৰী | |
| খাৰখোৱা গাঁও | |
| এলেঙ্গী | |
| চকিয়াল | |
| ৰঙা পুখুৰী পাৰ | |
| মেজেঙ্গা | |
| কুহুম | |
| **উপসংহাৰ** | ২৪ |
| **গ্ৰন্থপঞ্জী** | ২৫ |
| **প্ৰসঙ্গ টোকা** | ২৬ |
| **তথ্যদাতাৰ তালিকা** | ২৭ |

০.০০ **অৱতৰণিকা ঃ-**

যোৰহাট জিলাৰ অন্তৰ্গত এখন ঐতিহ্যমণ্ডিত ঠাই হৈছে তিতাবৰ। তিতাবৰ হৈছে এটা মহকুমা। যোৰহাট জিলাৰ অন্তৰ্গত তিতাবৰ নামেৰে এটা মহকুমা ২০০২ বৰ্ষত আগষ্ট মাহত ঘোষণা কৰা হৈছিল। অৱশ্যে ইয়াৰ আনুষ্ঠানিকতা ২০০৩ বৰ্ষৰ ২২ ফেব্ৰুৱাৰীত সম্পন্ন কৰা হয়। এই মহকুমাটোৰ সদৰ তিতাবৰ। মহকুমাটোৰ উত্তৰত যোৰহাট মহকুমা, দক্ষিণত নাগালেণ্ড, পূৱে শিৱসাগৰ জিলা আৰু নাগালেণ্ড, পশ্চিমত গোলাঘাট জিলা। সৰ্বমুঠ ৬৩২.৮৯ বৰ্গ কিলোমিটাৰ ভূমিৰে আৱৰা মহকুমাটোত ২০১১ বৰ্ষৰ লোকপিয়ল মতে জনসংখ্যা হৈছে ২০১৭৯১, তাৰে পুৰুষ ১০২৭২০ আৰু মহিলা ৯৯০৭১। ভোটাৰ হিচাপে ১১০৩৩৩ হিন্দু, মুছলমান, বৌদ্ধ, খ্ৰীষ্টান ইত্যাদি ধৰ্মীয় লোক তিতাবৰত মিলাপ্ৰীতিৰে আছে। কোনো ধৰণৰ ভুল বুজাবুজি হোৱা নাই। তিতাবৰত শিক্ষিতৰ সংখ্যা ৮২.৩ শতাংশ। তিতাবৰত স্কুল, কলেজ বহুত আছে। চৰকাৰী খণ্ডৰ লগতে ব্যক্তিগত খণ্ডতো অলেখ শিক্ষানুষ্ঠান হৈছে। সংগীত আৰু চিত্ৰকলাৰ বিদ্যালয়ো তিতাবৰতে আছে। যোৰহাট জিলাৰ নৱোদয় বিদ্যালয়খন তিতাবৰতে আৰু যোৰহাট জিলাৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানখনো (ডায়েট) তিতাবৰ বেচিকত আছে। তিতাবৰ বেচিকত তৃতীয় অসম আৰক্ষী বাহিনীৰ মুখ্য কাৰ্যালয়, ৰেচম গৱেষণা কেন্দ্ৰ, ৰেচম মহাবিদ্যালয়খনো এই ঠাইতে আছে। তিতাবৰৰ পৰা নাতিদূৰত কৃষি গৱেষণা কেন্দ্ৰ, তিতাবৰত ৰেল ষ্টেচনো বৃটিছৰ দিনৰে।

তিতাবৰত ধান খেতি ভাল হয়। আহোম স্বৰ্গদেউ দিনৰে পৰা তিতাবৰৰ চাউল বিখ্যাত। হামদৈ পথাৰ, লায়েক পথাৰ, বচা পথাৰ, খাট পথাৰ, বৰ পথাৰ তিতাবৰৰ লেখত ল'বলগীয়া পথাৰ। তিতাবৰত বৰ্তমান প্ৰধান জীৱিকা কৃষিয়েই হৈ আছে। ধানৰ পিছতে চাহখেতি আৰু শেহতীয়াকৈ সাঁচি খেতিত তিতাবৰত উজান উঠিছে। কোম্পানী চাহ-বাগিছাৰ সংখ্যা ৩৯ খন। তদুপৰি তিতাবৰত বিস্তৰ ক্ষুদ্ৰ চাহ খেতিয়ক আছে। বহুতে চাহখেতিৰ জৰিয়তে সুফল লাভ কৰিছে। সাঁচি গছৰ পৰা অগৰ তৈয়াৰ কৰা ব্যৱসায়ৰ পয়োভৰ বাঢ়িছে। তিতাবৰ নগৰত বৰ্তমান পৌৰসভা গঠন কৰা হৈছে। প্ৰথম পৌৰপতি হিচাপে ৰাজীৱ দত্তই সেৱা আগবঢ়াইছিল। প্ৰথম নগৰ সমিতিৰ অধ্যক্ষ হ'ল ঘন হাজৰিকা। তিতাবৰে আগন্তুক দিনত গুণগতভাৱে চহকী হ'বলৈ প্ৰয়াস কৰিছে। তিতাবৰ নগৰখনত যোৰহাটৰ পৰা ১৯ কি.মি. দক্ষিণত। মহকুমাটোত ২০১১ বৰ্ষৰ তথ্য অনুসৰি সৰ্বমুঠ ৰাজহ গাঁৱৰ সংখ্যা ২২৭ খন। ৰাজহ চক্ৰ তথা বিধান সভা সমষ্টি দুটা হ'ল তিতাবৰ আৰু মৰিয়নি। ইয়াৰ উপৰি মহকুমাটোত ৬ টা মৌজাসহ জিলা পৰিষদৰ সাতটা তথা ৩০ খন গাঁও পঞ্চায়তত ভাগ কৰি ৰাজনৈতিক গাঁঠনি নিৰ্ধাৰণ কৰা হৈছে। আইন-শৃঙ্খলা পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবৰ কাৰণে মুখ্য আৰক্ষী থানা তিনিখনৰ উপৰিও উপ আৰক্ষী থানা আছে ৬ খন।

তিতাবৰ বুলি ক'লে আচলতে এটি বৃহৎ অঞ্চল সামৰে। তিতাবৰ আমগুৰি-খৰিকটীয়া, ঠেঙাল আৰু বৰহোলা মৌজালৈ তিতাবৰ বুৰঞ্জীয়ে পৰশা এটি অঞ্চল। তিতাবৰ গাঁৱে-ভূঞে বহুতো ঠাই সামৰি লৈছে। তাৰ ভিতৰত এই প্ৰকল্পটিত নিৰ্দিষ্ট কেইখনমান ঠাই বা গাঁৱৰ বিষয়ে অধ্যয়ন কৰা হ'ব।

**০.০১ বিষয়ৰ পৰিসৰ ঃ-**

তিতাবৰ অঞ্চলৰ ঠাইৰ নামৰ তাৎপৰ্য ঃ এক অধ্যয়ন এই বিষয়টো অধ্যয়নত তিতাবৰ মহকুমাৰ বিষয়ে ভালেসংখ্যক কথা জনাৰ লগতে তিতাবৰ অঞ্চলত অৱস্থিত ভালেসংখ্যক ঠাইৰ নামৰ ইতিহাস, উৎপত্তিৰ উৎস, ঠাইখনৰ চাৰিসীমা, সামাজিক কাৰণ, ঐতিহাসিক ভূমিকা আদি দিশবোৰ পৰিসৰত সামৰি লোৱা হ'ব।

**০.০২ বিষয়ৰ উদ্দেশ্য ঃ-**

১) এই বিষয়টো অধ্যয়ন কৰিলে তিতাবৰ অঞ্চলৰ অন্তৰ্গত যথেষ্ট ঠাইৰ নাম জানিব পৰা যাব।

২) এই বিষয়টো অধ্যয়ন কৰিলে নামতত্ত্বৰ পৰিচয়ৰ লগতে নামতত্ত্বৰ ইতিহাস আৰু স্থান নামতত্ত্বৰ লগতে ইয়াৰ প্ৰণালী পদ্ধতি সম্পৰ্কে বহুতো কথা জানিব পৰা যাব।

৩) ঠাইৰ নামসমূহৰ ইতিহাস আৰু উৎপত্তিৰ উৎস সম্পৰ্কে জানিব পৰা যাব।

৪) ভাষা-সাহিত্যৰ লগতে সামাজিক আচাৰ-অনুষ্ঠান সম্পৰ্কে জানিব পৰা যাব।

৫) এই বিষয়টো অধ্যয়ন কৰিলে ঠাইৰ নামৰ লগতে জড়িত বহুতো নজনা কথা জানিব পৰা যাব।

৬) সেই ঠাইসমূহৰ বিষয়ে নতুন তথ্যও পোৱা যাব।

**০.০৩ বিষয় অধ্যয়ন পদ্ধতি ঃ-**

এই বিষয়টো অধ্যয়ন কৰিবলৈ ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰাৰ লগতে বৰ্ণনামূলক পদ্ধতিৰ সহায় লোৱা হ'ব।

**০.০৪ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ-**

**১) নামতত্ত্ব, শৰৎকুমাৰ ফুকন ঃ-**

ইয়াত নামতত্ত্বৰ তাত্ত্বিক দিশ সম্পৰ্কে সুন্দৰকৈ আলোচনা কৰা হৈছে। অৰ্থাৎ ইয়াত নামতত্ত্বৰ পৰিচয়ৰ লগতে নামতত্ত্বৰ ইতিহাস, নামতত্ত্বৰ দৰ্শন, নামতত্ত্বৰ ভিন্ ভিন্ শাখা -প্ৰশাখা সমূহ, স্থান নামতত্ত্ব বা ট'পোনিপি, নামতত্ত্বৰ প্ৰণালী আৰু পদ্ধতি, নামতত্ত্ব অধ্যয়নত ব্যৱহৃত সমলসমূহ, মানৱ প্ৰজাতিৰ পৰিচয় প্ৰদানৰ দুটি ধাৰা, স্থান নামৰ ক্ষেত্ৰভিত্তিক জৰীপ, স্থান নাম অধ্যয়নৰ প্ৰক্ৰিয়াত নামকৰণ পদ্ধতি, ট'পোনিপি সমপৰ্যায়ৰ শাখা-প্ৰশাখা সমূহ পোৱা গৈছে। ইয়াৰোপৰি ট'পোনিমি অধ্যয়নৰ দিশ সম্পৰ্কে আলোচনা আছে। স্থানবাচক বা ট'পোনিমিক বিভিন্ন ধৰণে শ্ৰেণীবিভক্ত কৰা ইত্যাদি সম্পৰ্কে ভালদৰে উল্লেখ আছে।

**২) হীৰক ৰশ্মি স্মৃতিগ্ৰন্থ,** সম্পাদক- ড° বুদ্ধীন্দ্ৰনাথ শইকীয়া ঃ-

ইয়াত তিতাবৰ ইতিহাস সম্পৰ্কে ভালদৰে আলোচনা কৰা হৈছে। তাৰ লগতে তিতাবৰ সংবাদ সেৱাৰ ইতিহাস, তিতাবৰ মহকুমা হোৱাৰ ঘোষণা, তিতাবৰৰ চাৰিসীমা, ৰাজহ গাঁৱৰ সংখ্যা, বিধান সভা সমষ্টি, আৰক্ষী থানা, চাহবাগানৰ সংখ্যা, শিক্ষানুষ্ঠান, তিতাবৰৰ জনসংখ্যা, তিতাবৰৰ শিক্ষিত হাৰ, ধানখেতি, তিতাবৰৰ চাউল, তিতাবৰ নগৰ পৌৰসভা গঠন আদি সম্পৰ্কে ইয়াত থকা দেখা যায়।

# প্রথম অধ্যায়

**১.০০ প্ৰথম অধ্যায় ঃ-**

**১.০১ নামতত্ত্বৰ ইতিহাস ঃ-** নামতত্ত্ব ইতিহাসৰ আঁতিগুৰি বিচাৰিবলৈ হ'লে বেদ- উপনিষদ, স্মৃতি, ব্ৰহ্মাণ, মহাকাব্য, পুৰাণ, তন্ত্ৰ আদি বিভিন্ন সাহিত্যলৈ উভতি যাব লাগিব। যথা ঋক্‌বেদৰ ১০-৭১-১, ১০-৮২-২, ৮-৪৫-১, ১-২২-৭, ৮-৫-৭, ৬-৫-৩১, ৭-২০-৭, ৭-১৮-১১ প্ৰভৃতি ৰিক্‌সমূহ এই প্ৰসংগত উল্লেখ কৰিব পাৰি। ঠিক তেনেদেৰে ঐতৰেয় আৰণ্যক, নিৰুক্তৰ, বৃহৎ দেৱতাৰ, শতপথ ব্ৰাহ্মণ, সাংখ্যায়ণ সূত্ৰ, ঐতৰেয় ব্ৰাহ্মণ, মনুস্মৃতি, ৰামায়ণ, মহাভাৰত আদিতো নামতত্ত্বৰ ভলেমানখিনি তথ্য নিহিত হৈ আছে।

মুং ডুন চুন খামৰ প্ৰথম তাই-আহোম চাওখা চাওলুং চুকাফাই খৃঃ১২০০ মানতেই দেওধাই বাইলুং মহন পণ্ডিতক বুৰঞ্জী লিখিবলৈ নিৰ্দেশ দিয়াৰ লগে লগে নামকৰণৰ প্ৰক্ৰিয়াৰো আৰম্ভ কৰে। শ্ৰীমন্ত শংকৰদেৱে খৃঃ ১৬ শতিকাত নাম-মহিমা, নাম অপৰাধ, নাম অন্বয়, উৰেষা-বৰ্ণন প্ৰভৃতি অধ্যায় নববৈষ্ণৱ সাহিত্যত সংযোজিত কৰি নামতত্ত্বৰ ধাৰাটি চহকী কৰি গৈছে।

ভাৰতৰ পটভূমিত ঐতিহাসিকভাৱে খৃঃপূঃ ৫ম শতিকাত বিখ্যাত ব্যাকৰণবিদ পানিণিয়ে সংস্কৃত ভাষাৰ বিভিন্ন সূত্ৰসমূহ প্ৰণয়ন কৰোতে নামতত্ত্ব বিজ্ঞানকো সেই যুগতেই সামৰি লৈ প্ৰথম পদ্ধতিগত অধ্যয়নৰ খুটি মাৰি গৈছে। পানিণিৰ 'অষ্টাধ্যায়ী' গ্ৰন্থৰ ১-৩৩, ৪-২-৫৭-৭০ অধ্যায়ত সেই সময়ৰ বিভিন্ন স্থানৰ নামসমূহৰ উল্লেখৰ লগে লগে ভূ-তত্ত্ব, ভূগোল, ইতিহাস, নৃতত্ত্ব, ভাষা-সংস্কৃতি আদিক সাঙুৰি কিদৰে পৃথিৱীৰ প্ৰান্তৰে প্ৰান্তৰে অনাদি কালৰে পৰা মানৱ সংস্কৃতিক চহকী কৰি আহিছে তাৰ ছবিও পানিণিৰ ব্যাখ্যাত উল্লেখিত হৈছে। পানিণিৰ পদানুসৰণ কৰি আনগৰাকী ব্যাকৰণবিদ পতঞ্জলিয়ে খৃঃপূঃ ৬ষ্ঠ শতিকাত নামতত্ত্বৰ সূত্ৰসমূহ বিশ্লেষণ কৰি দেখুৱায়। ইয়াৰ ভিতৰত জম্বু, প্লক্ষ, শাল্মলী, কুশ, ক্ৰৌঞ্চ, শক আৰু পুষ্কৰ আদিৰ বিশ্লেষণ বিশেষভাৱে উল্লেখনীয়। প্ৰাচীন মীমাংসা আৰু ন্যায় দৰ্শনসমূহতো নামতত্ত্ব সম্বন্ধে যথেষ্ট চৰ্চা পোৱা যায়। এইক্ষেত্ৰত উল্লেখনীয় ব্যক্তিসকল হৈছে — মধুক, শ্বেতকেতু, গালভ, যক্ষ, গাৰ্গ,ৰথিতাৰা,শৌনক আদি।

নামতত্ত্বৰ ধাৰণাটি আমাৰ দেশৰ দৰে পৃথিৱীৰ আন আন দেশতো বা সভ্যতাসমূহতো প্ৰাচীন কালৰ পৰাই প্ৰবাহমান। গ্ৰীচ দেশত হোমাৰৰ 'ওডিচি' কাব্যতো নামতত্ত্বৰ বিশ্লেষণ চেগা-চোৰোকাকৈ পোৱা যায়।

দাৰ্শনিক চক্ৰেটিছ আৰু প্লেটোৱেও সম্যকভাৱে নামতত্ত্বৰ ওপৰত বিশ্লেষণ আগবঢ়াই থৈ গৈছে। পৰৱৰ্তী সময়ত মাৰ্কাছ টেৰেনচিয়াছ ভাৰু নামৰ ব্যাকৰণবিদ গৰাকীয়ে ডি.লিংগুৱা লেটিনা ৰচনাৰে আৰু দাৰ্শনিক উইটগেনষ্টাইনে চিত্ৰাংকিত ভাষা আদিৰ ওপৰত বৰ্ণিত বিশ্লেষণেৰে নামৰ ভাষাতত্ত্বৰ ভঁৰাল চহকী কৰি গৈছে। চীন দেশত সম্ৰাট হোৱাংটিৰ দিনৰ ৰাজসভাৰ পণ্ডিতসকলে নামতত্ত্বৰ সূত্ৰসমূহৰ বিশ্লেষণ আগবঢ়াই থৈ গৈছে।

পৃথিৱীৰ বিভিন্ন প্ৰান্তত থকা আদি প্ৰজাতিসমূহৰ মাজতো নামতত্ত্বৰ ধাৰাটি সণ্ঢালনিকৈ চলি আছে আৰু এই প্ৰাথমিক নামসমূহতো ব্যাকৰণিক তথা ভাষাতাত্ত্বিক প্ৰক্ৰিয়াসমূহৰ সৌ তাহানিতেই আৰম্ভ হৈছিল। এনেধৰণৰ আদি প্ৰজাতিসমূহ হৈছে যথা অষ্ট্ৰেলিয়া - টাছমেনিয়াৰ মাওৰী, কুৰী, মুৰী, লুঙ্গা, লুঙ্গাৰ, কুলিন, ইৱৰা, পলিনেচিয়ান, কামবেৰা, হুপভেল, লাওৰা, কনকা ইত্যাদি আমেৰিকা যুক্তৰাষ্ট্ৰৰ

— চেৰ'কী, এলগোকুয়ান, ইউনাবাগো, সোৰণ, চিকাচ্, ক্রিক্, চেমিনল, কাদো, কোৱাটো,আপালেচি, বানক, আৰিকেৰা, মগোল্লন, হোহোকম, বিচবি, আপাচি, আহ্লুন,ৱাইকিকি প্ৰভৃতি।

নামৰ অধ্যয়নে পাশ্চাত্যত বিশেষকৈ গ্ৰীক দেশত খৃঃপূঃ দ্বিতীয় শতিকামানৰ পৰা এক বিজ্ঞানভিত্তিক অধ্যয়নৰ পৰ্যায় পায়। সেই সূত্ৰেই গ্ৰীক ভাষাৰ—'অন'মা' অৰ্থাৎ নাম, 'ষ্টিকচ্' বৰ্ণনা বা বিজ্ঞান বা তত্ত্বৰ উৎপত্তি।

আধুনিক বিশ্বত নামতত্ত্বৰ প্ৰথম সোঁত বোৱায় খৃঃ ১৭৬৮ ত পশ্চিমীয়া দেশৰ জাৰ্মান পণ্ডিত আলফ্ৰেইড উইলহেম লিবেনিজ ডাঙৰীয়াই। সেয়ে লিবেনিজকেই আধুনিক নামতত্ত্বৰ পিতৃপুৰুষ বোলা হয়। লিবেনিজৰ পদাংক অনুসৰণ কৰি — জে.এইচ.ৰাউণ্ড, ফয়াৰ ষ্টিম্যেন, ইছাক টেইলৰ আদিয়ে নামতত্ত্বৰ ধাৰাটি পশ্চিমীয়া দেশসমূহৰ ভিতৰত ভিন্ ভিন্ স্থানত বহুলাংশে আগুৱাই লৈ যায়। নামতত্ত্বৰ ইংৰাজী স্থানসমূহৰ ব্যাকৰণিক জে.জে. ইংলিগে প্ৰবাহিত কৰে। বৈজ্ঞানিক বিশ্লেষণেৰে ইংৰাজ স্থাননাম অধ্যয়নৰ ইতিহাসক তেওঁ আজি প্ৰথম গৰাকী বাটকটীয়া হিচাপে পৰিচিত হৈ পৰিছে। পশ্চিমীয়া দেশসমূহত আন আন নামতত্ত্ববিদসকল হৈছে—জামানীৰ ফোৰষ্টিম্যেন, নৰবেৰ ৰিগ্, চুইডেনৰ নৰেন, ইংলেণ্ডৰ স্কিট, ফ্ৰন্সৰ লংনন প্ৰভৃতি। পশ্চিমীয়া দেশসমূহত ভাষাবিজ্ঞানী, নৃতত্ত্ব বিদ, ভূগোলবিদ, ভাস্কৰ্য্য-স্থপতিবিদ, পুৰাতত্ত্ববিদ, ইতিহাসবিদ তথা সমাজবিজ্ঞানীসকলে নামতত্ত্বৰ বিভিন্ন শাখাসমূহৰ অধ্যয়ন চলাই গৈছে। এনেধৰণৰ নামতত্ত্ববিদৰ সংখ্যা আজি সহস্ৰজনৰো অধিক হৈছেগৈ। আমাৰ দেশত যোৱা কেইবাটাও শতাব্দী ধৰি নামতত্ত্বৰ ধাৰাটি প্ৰায় শুকাই যোৱাৰ নিচিনা হৈছিলগৈ। উনবিংশ শতাব্দীৰ পূৰ্বাৰ্দ্ধৰ পৰাহে এই বিজ্ঞান চৰ্চা ভাৰতত পুনৰ আৰম্ভ হয়। খৃঃ ১৮৩৪ত এইচ. ব্লেকম্যেন, ১৮৩৪ খৃঃত ৰামকমল সেন, ১৮৭২ খৃঃত কেৰেলাৰ গানডাৰ্ট, ১৮৭৮ খৃঃত আৰ.পি.ব্ৰানফিল আদিয়ে সমাজ বিজ্ঞান তথা ইতিহাসৰ বৰ্ণনাৰে স্থানসমূহৰ বিশ্লেষণ দাঙি ধৰি বৰ্তমানৰ নামতত্ত্বলৈ বিশেষ অবদান আগবঢ়ায়। আজি সৰ্বভাৰতীয় নামতত্ত্বৰ ক্ষেত্ৰত বিখ্যাত ভাষাবিজ্ঞানী সকল হ'ল — এচ.কে. চেটাৰ্জী, কে সুকুমাৰ সেন, কে.পি. গোস্বামী, কে.ভি. ৰমেশ, বি.চি.ল., হৰিদাস ভট্ট, এচ.এচ.ৰামচন্দ্ৰ মূৰ্ত্তি আদি।

অসমৰ নামতত্ত্বত স্থাননাম অধ্যয়নত টাই-আহোমৰ প্ৰথমগৰাকী চাওফা চাওলুং চুকাফা, তাৰ পৰৱৰ্তী কালত নৱবৈষ্ণৱ আন্দোলনৰ কৰ্ণধাৰস্বৰূপ শ্ৰীমন্ত শংকৰদেৱৰ উপৰিও তেওঁৰ অনুগামী মাধৱদেৱ, হৰিদেৱ, গোপাল আতা, পৰ্হিয়া আতা আদিয়ে চৰিত পুথিসমূহৰ যোগেদি বিশেষ বৰঙনি আগবঢ়ায়।

**১.০২ নামতত্ত্বৰ পৰিচয় ঃ-**

আমাৰ সকলোৰে জ্ঞাত যে বিশ্বব্ৰহ্মাণ্ড বা বহিঃবিশ্বৰ সকলো উপাদানৰে একো একোটা নিজস্ব পৰিচয় আছে। তেনে পৰিচয় প্ৰদানৰ আৱশ্যকতাতেই সাংকেতিক চিহ্ন, চিনাকীকৰণ পৰিচয়, নাম আদিৰ উদ্ভাৱন হৈছে। বিশ্বব্ৰহ্মাণ্ডৰ প্ৰাকৃতিক উপাদানসমূহৰ অৱস্থিতি মানৱ প্ৰজাতিৰ জন্মৰ বহু বিলিয়ন বছৰৰ পূৰ্বেই সংঘটিত হ'লেও মানৱ জাতিৰ মস্তিষ্ক, মানসিক চিন্তা, বৌদ্ধিক উত্তৰণ, দৰ্শন আদিৰ সাংস্কৃতিক পৰিক্ৰমা সূক্ষ্মতম মননশীল বিচাৰ প্ৰক্ৰিয়াৰ উন্নয়ন বা প্ৰগতি। এনে এক সংমিশ্ৰিতৰ

পৰিৱেশতেই বহু হাজাৰ বছৰৰ পূৰ্বেই নামৰ বা পৰিচয় বিচাৰৰ প্ৰাথমিক ঘটনা প্ৰৱাহৰ উন্মেষ ঘটিছিল। সাংকেতিক চিহ্ন, নাম বা পৰিচয় চিহ্ন ক্ৰমবিকাশৰ আদি পাঠতেই প্ৰাকৃতিক আৰু সাংস্কৃতিক উপাদানসমূহৰ মূল সাহটো সোমাই আছে।

অসমীয়া ভাষাত অন'মেচষ্টিকছ অৰ্থাৎ 'নামতত্ত্ব' বিষয় সমৃদ্ধ কোনোধৰণৰ ৰচনাৱলী অদ্যপি নোহোৱাৰ পটভূমিতেই ইয়াৰ জন্ম। 'নামতত্ত্ব' বা পৰিচয় সম্বন্ধীয় বিজ্ঞানসন্মত বিশ্লেষণেই ইয়াৰ মূল উপাদান। বহিঃবিশ্বৰ বৃহৎ পৰিসৰৰ পৰা বিন্দু সদৃশ আমাৰ ওপজা ঠাই অসমৰ—ব্যক্তিবাচক, উপাধি বা পদবীবাচক, স্থানবাচক, জলবাচক, পৰ্বতবাচক, বস্তুবাচক, আলি-পদূলিবাচক নাম প্ৰভৃতি সমৃদ্ধ বিষয়বস্তুক সামৰিয়ে নামতত্ত্বৰ সৃষ্টি।

অসমৰ থলুৱা পৰিৱেশত ইং ১৯৭৪ চনৰ পৰা ২০০৬ চনলৈ আহৰণ কৰা সমল আৰু স্থল পৰিদৰ্শথা অগ্ৰজসকলে নামৰ সম্বন্ধে কৰা অধ্যয়নৰ ধাৰা পৰম্পৰাক প্ৰয়োজনীয় সংশোধনেৰে গ্ৰহণ কৰি, ভাৰতীয় পটভূমি, প্ৰাচ্য আৰু পাশচাত্য এই দিশৰ অধ্যয়নৰ সমল সন্নিৱিষ্টয়েই হৈছে 'নামতত্ত্ব'।

সাধাৰণ সমাজত 'নাম' হৈছে কোনো এক উপাদানৰ চিনাকীকৰণৰ পৰিচয় পত্ৰ। এই পৰিচয় পত্ৰই বিশ্ব-জগতৰ পৰিৱেশ-পৰিস্থিতি, মানৱ প্ৰজাতিৰ মগজু, মনৰ অৱস্থা-ব্যৱস্থা, ক্ৰিয়া-কলাপ আদিৰ প্ৰগতিকো সাঙুৰিছে। ব্যাপক অৰ্থত সমগ্ৰ জীৱ-জগতেই পৰিচয় প্ৰদানৰ প্ৰক্ৰিয়াত নিহিত হৈ আছে। মানৱ প্ৰজাতিৰ পৰিচয় প্ৰদানৰ ক্ষেত্ৰত দুটি ধাৰা প্ৰচলিত হৈ আছে-(১)

(১) বিজ্ঞানভিত্তিক বা প্ৰাকৃতিক প্ৰক্ৰিয়াৰ বিশ্লেষণ

(২) আধ্যাত্মিক বা মনস্তাত্বিক বিশ্লেষণ

**(১) বিজ্ঞানভিত্তিক বা প্ৰাকৃতিক প্ৰক্ৰিয়াৰ বিশ্লেষণ ঃ**

মানৱ প্ৰজাতিৰ পৰিচয় প্ৰদানৰ ক্ষেত্ৰত প্ৰচলিত এটা গুৰুত্বপূৰ্ণ ধাৰা হৈছে বিজ্ঞানভিত্তিক বা প্ৰাকৃতিক প্ৰক্ৰিয়া। বিজ্ঞানভিত্তিক ধাৰাটিয়ে পৰিচয় প্ৰদানৰ ক্ষেত্ৰত সৃষ্টিৰ আৰম্ভণিৰে পৰা বৰ্তমানলৈকে প্ৰাকৃতিক, নৈসৰ্গিক অৱস্থাত সৃষ্টি হোৱা বিশ্বব্ৰহ্মাণ্ডৰ উপাদানসূহৰ ক্ৰমবিকাশক কোনো এক নৈসৰ্গিক প্ৰাকৃতিক কাৰকৰ অধীন বুলি ঠাৱৰ কৰিছে আৰু পদাৰ্থৰ বিৱৰ্তনও অগ্ৰগতিক মুখ্য আধাৰৰূপে লৈছে। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই বিশ্বজগতৰ বিভিন্ন উপাদানসমূহৰ পৰিচয় দিছে।

**(২) আধ্যাত্মিক বা মনস্তাত্বিক বিশ্লেষণ ঃ**

মানৱ প্ৰজাতিৰ পৰিচয় প্ৰদানৰ ক্ষেত্ৰত প্ৰচলিত দুটা ধাৰাৰ দ্বিতীয় গুৰুত্বপূৰ্ণ ধাৰাটো হৈছে আধ্যাত্মিক বা মনস্তাত্বিক বিশ্লেষণ। ইয়াত বিশ্বৰ বিভিন্ন প্ৰান্তৰ আধ্যাত্মিক মতত বিশ্ববাসীসকলে এক পৰম শক্তিৰ ইচ্ছা অনুযায়ী বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি হৈছে বুলি ঠাৱৰ কৰি ভিন ভিন পৰিচয় সূত্ৰ দাঙি ধৰিছে।

এই দুটা ধাৰাৰ মাজত আজি দীৰ্ঘদিন ধৰি এক দণ্ডায়মান পৰিৱেশৰ সৃষ্টি হৈছে। সেয়েহে এই সংঘাতময় পৰিৱেশ পৰিস্থিতিত বিশ্বজগতৰ নাম, পৰিচয় আদি ঘোষণাৰ ক্ষেত্ৰতো এক দণ্ডিক প্ৰক্ৰিয়াৰ মাজেৰে আগবাঢ়ি আছে।

নামতত্ত্ব দৰ্শন উপলব্ধি কৰিবলৈ সৃষ্টিৰ আদিপাতন আৰু ইয়াৰ মৌলিক উপাদানসমূহৰ চিনাকীকৰণ প্ৰক্ৰিয়াৰ পূৰ্ণ বিশ্লেষণ নিতান্তই প্ৰয়োজন।

নামতত্ত্বৰ বিভিন্ন শাখা-প্ৰশাখাৰ অধ্যয়নৰ প্ৰণালী আৰু পদ্ধতিসমূহৰ মাজত সমন্বয় থাকিলেও শাখা অনুযায়ী ইয়াৰ প্ৰক্ৰিয়াসমূহৰ মাজত বহু ভিন্নতা আছে। নামতত্ত্ব অধ্যয়নৰ প্ৰণালী আৰু পদ্ধতিক মূলতঃ দুটা স্বকীয় ধাৰাত বিভিক্ত কৰিব পাৰি। যেনে ঃ-

১) ক্ষেত্ৰভিত্তিক আৰু

২) পুথিভঁৰালমুখী

নামতত্ত্বৰ প্ৰধান শাখা স্থাননাম, ব্যক্তিবাচক নাম, উপাধিবাচক নামৰ প্ৰণালী আৰু পদ্ধতিৰ ক্ষেত্ৰতো মূল শব্দ, উপসৰ্গ, প্ৰত্যয়, পদ, অলঙ্কাৰ, অনুকাৰযুক্ত, অৰ্থ, গুণৰাশি আদি উপাদানসমূহৰ বিশ্লেষণতেই অধ্যয়নৰ প্ৰণালী আৰু পদ্ধতি নিহিত হৈ আছে। ওপৰৰ বিশ্লেষণ সমূহক ব্যৱহাৰিক দিশত আগুৱাই নিওঁতে উপাদানসমূহৰ ক্ষেত্ৰ অধ্যয়নত — গাঁও, কেন্দ্ৰ, মৌজা, মহকুমা, জিলা, প্ৰাদেশিক ভিত্তিৰ উপাদান, ঐতিহাসিক সময় নিৰ্দ্ধাৰণ, তুলনামূলক বিশ্লেষণ ইত্যাদিৰ নিতান্তই প্ৰয়োজন।

নামতত্ত্ব অধ্যয়নত ব্যৱহৃত সমলসমূহ তিনিটা পৰ্যায় বা শ্ৰেণীত বিভক্ত কৰিব পাৰি। যেনে ঃ-(২)

(১) প্ৰাথমিক পৰ্যায় বা প্ৰথম শ্ৰেণীৰ সমল

(২) দ্বিতীয় পৰ্যায় বা শ্ৰেণীৰ সমল

(৩) তৃতীয় পৰ্যায় বা শ্ৰেণীৰ সমল

**(১) প্ৰাথমিক পৰ্যায় বা প্ৰথম শ্ৰেণীৰ সমল ঃ**

নামতত্ত্ব অধ্যয়নত ব্যৱহৃত সমলসমূহ ভিতৰত প্ৰাথমিক পৰ্যায় বা প্ৰথম শ্ৰেণীৰ সমল। প্ৰাথমিক পৰ্যায় বা প্ৰথম শ্ৰেণীৰ সমলবোৰৰ ভিতৰত প্ৰধানকৈ থল পৰিদৰ্শন আৰু অনুসন্ধান,লোকসংস্কৃতি,লোকসাহিত্য, পুৰাতাত্ত্বিক আৰু প্ৰত্নতাত্ত্বিক সমল, প্ৰাচীনতম সাহিত্য—বেদ, ব্ৰাহ্মণ, উপনিষদ, পুৰাণ, আৰণ্যক, মন্ত্ৰ, তন্ত্ৰ, ইত্যাদি, পাষাণলি, তাম্ৰলিপি, বুৰঞ্জী বা ইতিহাস(প্ৰকাশিত যেনে— অসম বুৰঞ্জী, কামৰূপৰ বুৰঞ্জী, ভূঞাৰ বুৰঞ্জী, চুতীয়াৰ বুৰঞ্জী ইত্যাদি আৰু প্ৰকাশিত হৈছে— টাই আহোম বুৰঞ্জী), বংশাৱলী যেনে — দৰং ৰাজবংশাৱলী, তুংখুঙীয়া বংশাৱলী, বৰগোহাঁই বংশাৱলী, লানমাখু বংশাৱলী প্ৰভৃতি, মুদ্ৰা, গুৰুচৰিত, মন্দিৰৰ গাৰ লেখন, মন্দিৰৰ ঘণ্টাৰ লেখন, বৰতোপৰ গাৰ লেখন, বিদেশী পৰ্যটকৰ টোকাবোৰ হৈছে—গ্ৰীক পৰ্যটক, মেগাস্থানিচ, প্লিনি, ষ্ট্ৰেব', কাৰটিয়াছ দিওডৰচ্, প্লোটাৰক, চীনা পৰ্যটকৰ ভিতৰত হৈছে —হিউৱেন চাং, মুছলমান পৰ্যটক হৈছে— আলবেৰুণী, মালিক উজবেক্, মিনাজুদ্দিন, আবু উমৰ ই ওচমান, শিখ পৰ্যটক হৈছে— গুৰু টেগবাহাদুৰ, পৰ্টুগীজ পৰ্যটক হৈছে— ফাডাৰ ষ্টিফেন কেচেলা, ফাডাৰ জন কাব্ৰাল, ফৰাচী পৰ্যটকৰ ভিতৰত হৈছে — ফ্ৰাঞ্চিচ্ বাৰ্ণিয়াৰ, ইটালীয়ান পৰ্যটকৰ ভিতৰত — নিকলাও মেনুচি, ইংৰাজ পৰ্যটক— ৰাওলফিটচ্, আলেকজেণ্ডাৰ দাও, কেপ্টেইন ৱেলছ, ফ্ৰাঞ্চিছ হেমিলটন প্ৰভৃতি সমলসমূহক ধৰিব পৰা যায়।

**(২) দ্বিতীয় পৰ্যায় বা শ্ৰেণীৰ সমল ঃ**

নামতত্ত্বৰ অধ্যয়নত ব্যৱহৃত সমলসমূহৰ ভিতৰত দ্বিতীয় পৰ্যায় বা শ্ৰেণীৰ সমল হৈছে অন্যতম। এই পৰ্যায়ত নামতত্ত্ব অধ্যয়নৰ সমলে — বিভিন্ন ৰাজপত্ৰ, ৰাজপত্ৰিকা, ভূমি সম্পৰ্কীয় দলিল, মানচিত্ৰত উল্লেখিত নাম, গৱেষণামূলক গ্ৰন্থ আদিক বুজায়।

(৩) তৃতীয় পৰ্যায় বা শ্ৰেণীৰ সমল ঃ

নামতত্ত্ব অধ্যয়নত ব্যৱহৃত সমলসমূহৰ ভিতৰত আন এটা অন্যতম সমল হৈছে তৃতীয় পৰ্যায় বা শ্ৰেণীৰ সমল, তৃতীয় পৰ্যায় বা শ্ৰেণীৰ নামতত্ত্ব অধ্যয়নৰ সমল বুলিলে সাধাৰণতে বিভিন্ন প্ৰকাৰৰ গ্ৰন্থ, আলোচনী, টোকা ইত্যাদিক বুজা যায়।

অ'নমেষ্টিকচ্ অৰ্থাৎ নামতত্ত্ব বিষয়টি তুলনামূলকভাৱে আধুনিক আৰু ই লোক-সাহিত্য, লোক সংস্কৃতি, ভূগোল-বিজ্ঞান, নৃ-তত্ত্ব, পুৰাতত্ত্ব, ইতিহাস, সমাজ-বিজ্ঞান তথা ভাষা-বিজ্ঞান প্ৰভৃতি শাখাৰ বিষয়সমূহৰ অন্তৰ্গত। গ্ৰীকভাষাৰ 'অ'নমা' আৰু সংস্কৃত ভাষাৰ 'নামঃ' শব্দ দুটা হৈছে সমাৰ্থক শব্দ। গ্ৰীক 'অন'মেষ্টিকচ্' শব্দৰ অসমীয়া প্ৰতিশব্দই হৈছে 'নামতত্ত্ব'।

নামতত্ত্বৰ ভিন ভিন শাখা-প্ৰশাখাসমূহ হৈছে —

১) স্থাননামৰ অধ্যয়ন— টপ'নিমি (৩)

২) জলধাৰ আৰু জলাশয় নামবাচক নামৰ অধ্যয়ন—হাইড্ৰ'নিমি

৩) গড়-আলি-প্ৰাঞ্চিৰ নামবাচক নামৰ অধ্যয়ন — হড'নিমি

৪) মহাকাশৰ স্থান নামৰ অধ্যয়ন — চৰো'নিমি

৫) পৰ্বত-পাহাৰ নামবাচক নামৰ অধ্যয়ন— অৰ'নিমি

৬) জাতি-জনগোষ্ঠীৰ নামবাচক নামৰ অধ্যয়ন—ইথন'নিমি

৭) জনশূন্য পথাৰ-হাবি আদিৰ নামবাচক নামৰ অধ্যয়ন— মাইক্ৰোটপ'নিমি

৮) ব্যক্তিৰ নামৰ অধ্যয়ন— এনথ্ৰোপ'নিমি বা ইপ'নিমি

৯) ব্যক্তিৰ নামৰ যোগেদি হোৱা স্থান নামৰ অধ্যয়ন— ইপ'নিমি

১০) উপাধি-পদবীৰ নামৰ অধ্যয়ন— চাৰমেন ষ্টাডি

১১) বস্তুৰ নামেদি হোৱা ঠাইৰ নামৰ অধ্যয়ন— ক্ৰেমাটো'নিমি

১২) পৰোক্ষ নামৰ অধ্যয়ন— টেক্ নো'নিমি ইত্যাদি।

স্থাননামৰ বা ট'পোনিমি বুলিলে — স্থান নামৰ অৰ্থ, ব্যাকৰণ, ইতিহাস, পুৰাতত্ত্ব, ভাস্কৰ্য্য আৰু স্থাপত্যবিদ্যা, ভূগোল, নৃতত্ত্ব, সমাজবিজ্ঞান আদিৰ সমল তথা সময় সাপেক্ষ উপাদান আৰু আন্তঃগাঁঠনিৰ অধ্যয়নকে বুজায়। ইয়াৰ উপৰিও পৃথিৱীৰ উপৰিভাগৰ জনবসতি তথা জনবিহীন গাঁও, নগৰ-চহৰ, নদী-নলা, পৰ্বত-পাহাৰ, বিল, পথাৰ, হাবি-বননি, আলি-পদূলি, গড়-প্ৰাচীৰ-দুৰ্গ আৰু পুখুৰী আদিৰ নামকো ট'পোনিমি বিষয়টো হৈছে অন'মেষ্টিকচ্ বা নামতত্ত্বৰ এটি শাখা। ট'পোনিমি, অন'মেষ্টিকচ্ হৈছে দুয়োটাই গ্ৰীকমূলীয় শব্দ।

গ্ৰীক্ ভাষাৰ অন্তৰ্গত 'ট'পোচ' শব্দৰ অৰ্থ হৈছে — পৃথিৱীৰ উপৰিভাগৰ আৰু 'নিমি' শব্দৰ অৰ্থ হৈছে 'নাম', সেয়ে হৈছে 'ট'পোনিমি'। ইয়াৰ সমপৰ্যায়ৰ আন আন শাখা-প্ৰশাখাসমূহ হৈছে—(৪)

১) এনথ্ৰোপ'নিমি বা ব্যক্তিৰ নাম।

২) ইপ'নিমি বা ব্যক্তিৰ নামৰ তথা উপাধিৰে হোৱা ঠাইৰ নাম।

৩) ইথ'নোনিমি বা জাতি - বৰ্গৰ নাম।

৪) মাইক্ৰ'ট'পোনিমি বা জনশূন্য পথাৰ, হাবিৰ নাম।

৫) হাইড্র'নিমি বা জলাশয়, জলাধাৰৰ নাম।

৬) হ'দ'নিমি বা আলি-পদূলি গড়ৰ নাম।

৭) অ'ৰোনিমি বা পৰ্বত-পাহাৰৰ নাম।

৮) টেকনোনিমি বা পৰোক্ষ নাম।

৯) ক্ৰেমাট'নিমি বা বস্তুৰ নামেৰে হোৱা স্থান নাম।

১০) ক'ৰ'নিমি বা মহাকাশৰ স্থাননাম ইত্যাদি।

স্থাননাম বিজ্ঞানে ভাষাতত্ত্ব, ভূগোল, বুৰঞ্জী, লোকসাহিত্য, লোকসংস্কৃতি, নৃতত্ত্ব, ভূতত্ত্ব, সমাজবিজ্ঞান,পুৰাতত্ত্ব, প্ৰত্নতত্ত্ব, সংস্কৃতি, ইতিহাস প্ৰভৃতিৰ কেইটামান মূল বিষয়বস্তুৰ আন্তঃগাঁঠনিক সাঙুৰি লয়। যিহেতু স্থাননাম এডোখৰ একোটা ভাষাৰ শব্দ সেয়েহে ভাষাতাত্ত্বিক বিশ্লেষণ নিতান্তই প্ৰয়োজন। ট'পোনিমি বা স্থাননাম অধ্যয়নৰ যোগেদি এটা ভাষাৰ জন্ম আৰু বিকাশৰ ধাৰা অধ্যয়ন কৰিব পাৰি। ট'পোনিমি বা স্থাননাম অধ্যয়নৰ আন এটি গুৰুত্ব হৈছে নামকৰণ প্ৰক্ৰিয়াৰ লগত জড়িত জাতি বা গোষ্ঠীৰ মানসিক তথা সামাজিক, অৰ্থনৈতিক আৰু মনঃস্তাত্ত্বিক স্তৰৰ উন্মেষৰ উমান পাব পাৰি। তদুপৰি নামকৰণ হোৱা স্থানসমূহৰ পৌৰাণিক নামসমূহ সংগঠিত কৰি ইয়াৰ গঠন প্ৰণালী, অৰ্থ আৰু ভাষাতাত্ত্বিক অৱস্থান ঠাৱৰ কৰা যায়। ইয়াৰ লগে লগে ঠাইডোখৰত বসবাস কৰা জনগাঁঠনি, জনগাঁঠনিৰ বিৱৰ্তন আৰু ইতিহাসৰ আন আন সমলসমূহৰো সম্ভেদ পাব পাৰি।

স্থানবাচক নামৰ অধ্যয়ন পৃথিৱীৰ প্ৰায় কেইটা প্ৰাচীন সভ্যতাত উন্মেষ ঘটিছিল। ভাৰতবৰ্ষত পঞ্চম খৃষ্টপূৰ্বতেই ব্যাকৰণবিদ 'পানিনি'য়ে সুদূৰ আফগানিস্থানৰ পৰা মগধ দেশলৈ পোৱা স্থাননাম, নদী-নলা, পৰ্বত-পাহাৰ, নগৰ-চহৰ, গাঁৱৰ নামৰ এক ভাষাতাত্ত্বিক বিশ্লেষণ দাঙি ধৰি থৈ গৈছে। পানিনিৰ বিশ্লেষণাত্মক অধ্যয়ন 'অষ্টাধ্যায়ী' নামৰ গ্ৰন্থৰ ৪.২.৫৭-৭০, ৪.৩.৮৯-১৪৫, ৮.৪.৮-৫, ৪.৩.১১৭-১২০ অধ্যায়ত বিস্তৃতভাৱে পোৱা যায়। স্থাননামৰ লগত জড়িত প্ৰত্যয়সমূহ হৈছে— পূৰ, নগৰ, গ্ৰাম,কুণ্ড, গিৰি, ভূক্তি, মণ্ডল, বিষয়, পাতক ইত্যাদি। পাণিনীয়ে স্থাননামৰ বৰ্ণনা দিবলৈ তলত দিয়া প্ৰক্ৰিয়া অৱলম্বন কৰিছে। যেনেঃ- **(৫)**

ক) বিশেষ স্থানডোখৰ এই বিলাক মানুহে বা জাতিয়ে নামকৰণ কৰিছে।

খ) স্থানডোখৰ এই নদী বা পুখুৰীৰ পাৰত।

গ) স্থান-নামডোখৰ নামকৰণ কৰোতে কোনোৱা উদ্ভিদ, ব্যক্তি, প্ৰাকৃতিক ৰং আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

পাণিনিৰ পৰৱৰ্তীকালত খৃষ্টপূৰ্ব দ্বিতীয় শতাব্দীত আন এগৰাকী ব্যাকৰণবিদ পতঞ্জলি ডাঙৰীয়াই 'মহাভাস্য'ত স্থানবাচক নামসমূহৰ এক বিজ্ঞানসন্মত ব্যাকৰণিক ব্যাখ্যা আগবঢ়ায়। ইয়াৰ উপৰিও আৰ্যভট্টৰ ধৰ্মশাস্ত্ৰ, পুৰাণ সমূহত জম্বু-প্লক্ষ-কুশ-শালমলি-ক্ৰৌঞ্চ-শক-পুষ্কৰ দ্বীপৰ উল্লেখ, কাশিকাভৃতি, জিতেন্দ্ৰবুদ্ধিৰ ন্যাস, সৰ্ব-বৰ্মণৰ-কা-তন্ত্ৰ ব্যাকৰণ, চন্দ্ৰগোমিনৰ- চন্দ্ৰ ব্যাকৰণ, দেৱনন্দিনৰ- জ্ঞানেন্দ্ৰ ব্যাকৰণ, হেমচন্দ্ৰৰ ব্যাকৰণ, পলৱকৃত্তিৰ—সকতয়ান ব্যাকৰণ, ভুজ দেৱৰ সৰস্বতী কণ্ঠভূষণ ব্যাকৰণ আদিত নামতত্ত্ব আৰু স্থানতত্ত্বৰ বিষয়ে বহুল ব্যাখ্যা পোৱা যায়।

উদ্ভিদ বিজ্ঞান আৰু প্ৰাণীবিজ্ঞানৰ লগত জড়িত স্থান নামসমূহৰ ইতিহাস আৰু ঐতিহ্য অধ্যয়নৰ যোগেদি প্ৰাচীন কালৰ জীৱ-বিজ্ঞানৰ ধাৰা আৰু পৰম্পৰাসমূহৰ বিষয়ে সবিশেষ জানিব পাৰি। আনহাতে

প্ৰত্নতাত্ত্বিক আৰু পুৰাতত্বৰ লগত জড়িত স্থাননামৰ অধ্যয়নৰ যোগেদি সুদুৰ অতীতেই হেৰাই যোৱা বহু সভ্যতাৰ সমল পুনগঠন কৰিব পাৰি। এটা জাতিৰ সাংস্কৃতিক অধ্যয়ন স্থাননাম অধ্যয়নৰ অবিহনে অসম্পূৰ্ণ হৈ ৰয়। সেয়েহে স্থাননাম সমূহক 'ফুট নোটচ্ অৱ হিষ্টৰি, ফিংগাৰ প্ৰিণ্টচ্ অৱ আৰকিঅ'লজি' বোলা হয়।

ট'পোনিমি বা স্থাননামতত্ত্বৰ বৈশিষ্ট্যবোৰ হৈছে—(৬)

(১) নামকৰণ প্ৰক্ৰিয়াৰ লগত জড়িত ইতিহাস আৰু স্থানবাচক নামৰ লগত পৰৱৰ্তী সময়ত জড়িত হোৱা সম-সাময়িক ইতিহাস আৰু ইয়াৰ গুৰুত্ব ট'পোনিমি অধ্যয়নৰ এটা দিশ।

(২) মূলতঃ ট'পোনিমি বিষয়টো ভূগোল-বিজ্ঞান আৰু ভাষাতত্বৰ লগত ওতঃপ্ৰোতভাৱে জড়িত বাবে ইয়াত বিভিন্ন শাখাৰ ভৌগোলিক আৰু ভাষা উপাদানসমূহৰ বিশ্লেষণৰ সুযোগ আছে।

(৩) নৃতত্ব সম্বন্ধীয় অধ্যয়নৰ লগত সম্পৰ্ক ৰাখি নামকৰণ প্ৰক্ৰিয়াৰ লগত জড়িত মানৱ প্ৰজাতি সমূহৰ মানসিক স্তৰ, প্ৰাকৃতিক তথা সামাজিক পৰিৱেশৰ লগত পৰিচিত অৱস্থান সম্পৰ্কে আলোচনা কৰিব পাৰি।

(৪) ট'পোনিমিৰ লোকসাহিত্য বা মৌখিক সাহিত্যৰ লগত এক এৰাব সম্পৰ্ক আছে। কিয়নো আদিম মানৱ সমাজত লোকসাহিত্যৰ অৱদানেই মূল আছিল।

ঠিক তেনেদৰেই সমাজ বিজ্ঞানেও ট'পোনিমি অধ্যয়নত পোনপটীয়াকৈ স্বাক্ষৰ বহন কৰি আহিছে।

পাশ্চাত্যৰ স্থানবাচক নামৰ অধ্যয়নৰ ক্ষেত্ৰত গ্ৰীক পণ্ডিত এৰিষ্ট'টল, প্লেটো আদিয়ে খৃষ্টপূৰ্ব যুগতেই এই ধাৰাটি চহকী কৰি থৈ গৈছে। পৰৱৰ্তী সময়ত আধুনিক কালত জাৰ্মান পণ্ডিত ফ্ৰেড্ উইলহেম্ ডাঙৰীয়াই ১৭৬৮ খৃষ্টাব্দত স্থাননাম অধ্যয়নৰ এক বৈজ্ঞানিক বিশ্লেষণ আগবঢ়ায়। সেয়েহে ফ্ৰেড্উইলহেম্‌ক স্থাননাম অধ্যয়নৰ পিতৃপুৰুষ বোলা হয়। ঠিক তেনেদৰে জে.জে. ইগ্‌লিগ্ ডাঙৰীয়াক ইংৰাজসকলে স্থাননামৰ বাটকটীয়া বুলি অভিহিত কৰিছে। পৰৱৰ্তীকালত ইউৰোপ, আমেৰিকা, কানাডা, অষ্ট্ৰেলিয়া, ৰাছিয়া আদি বিভিন্ন দেশৰ ভাষাতত্ববিদসকলে নিৰলস সাধনা কৰি গৈছে। ফলস্বৰূপে বিংশ শতাব্দীৰ মাজভাগত ৰাষ্ট্ৰসংঘৰ উদ্যোগত 'ইউনাইটেড নেচনচ্ গ্ৰুপ অৱ এ'কসপাৰ্টচ অন জিওগ্ৰাফিক নেমচ্' নামৰ অনুষ্ঠান গঢ় লৈ উঠিছে আৰু ডেৰশতকৈও অধিক দেশে আজি ইয়াৰ লগত সক্ৰিয়ভাৱে জড়িত হৈছে। আমাৰ ভাৰতবৰ্ষতো 'প্লেচ নেম চ'চাইটি অৱ ইণ্ডিয়া' নামৰ অনুষ্ঠান এটা ১৯৭৮ চনতে মহীশূৰত গঢ় লৈ উঠিছে।

ভাৰতীয় পৰিসৰত স্থানবাচক নাম অধ্যয়নকাৰীসকল হৈছিল—সুকুমাৰ সেন, সুনীতি কুমাৰ চেটাৰ্জী, কে.পি. গোস্বামী, এইচ. ব্লকম্যেন, ৰামকমল সেন, জাভেৰে গৌড়া, এম. এম. কুলবুৰ্গী, এচ.এচ. ৰামমূৰ্ত্তি, কে. হৰিদাস ভাট, কে. ভি. ৰমেশ, এম.দি. চম্পথ আদি।

মধ্যযুগত প্ৰথমজনা টাই-আহোম চাওফা চাওলুং চুকাফাই হুকং উপত্যকাৰ পৰা নামি নামকিউ, খামজাঙ্গ পাৰ হৈ দেওধাই - বাইলুং - মহন্ত পণ্ডিতক নিৰ্দেশ দিলে যে যি মৰে, যাক পাঁও বাটত যি কথা হয় সকলোখিনি লিখি থ'ব। এই ৰূপে যাক য'ত যি বস্তু স্থান পালে সেই গুণাযাৰে নাম ৰাখি গ'ল আৰু বুৰঞ্জীত স্ৰজন হ'ল। তেতিয়া সময় আছিল ১২২৫-২৮ খৃঃত। নামতত্ব তথা 'নাম মহিমা'ৰ

অধ্যয়নৰ আন এটি গৌৰৱময় অধ্যায়ৰ প্ৰধান হোতাস্বৰূপ নৱ-বৈষ্ণৱ গুৰুদ্বয় শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে খৃঃ যোল্ল শতিকাত ঈশ্বৰৰ ভিন ভিন নাম ৰাম, কৃষ্ণ, নাৰায়ণৰ মহিমা আৰু গুণাগুণ বখানিবলৈ গৈ 'নাম মহিমা'ৰ বৰ্ণনাৰে অতুলনীয় ইতিহাসৰ পৰম্পৰা ৰাখি থৈ গৈছে।

স্থাননাম অধ্যয়নৰ প্ৰণালী আৰু পদ্ধতিক দুই ধৰণে আলোচনা কৰিব পাৰি। যেনে—বহুল আৰু সূক্ষ্ম। স্থাননামৰ প্ৰণালী আৰু পদ্ধতিক সাধাৰণতে নিম্নবৰ্ণিত সমলসমূহ সংগ্ৰহ কৰা হয়। যেনে (৭)

(ক) স্থাননামৰ ক্ষেত্ৰভিত্তিক জৰীপ— জৰীপকাৰীয়ে সৰ্বপ্ৰথমেই স্থাননামৰ অঞ্চল বিশেষৰ ভূতত্ব, ভূগোল, পুৰাতত্ব, ভাস্কৰ্য্য-স্থাপত্য, ইতিহাস, নৃতত্ব, পৰিৱেশ-পৰিস্থিতি, সমাজতত্ব, উদ্ভিদ-প্ৰাণীবিজ্ঞান আদি বিষয় সম্বন্ধীয় প্ৰাথমিক জ্ঞান আহৰণ কৰা নিতান্তই প্ৰয়োজন। জৰীপকাৰীসকল একে সময়তে প্ৰাথমিক পৰ্যায়ৰ ভূতাত্বিক, ভূগোলবিদ, পুৰাতাত্বিক, ভাস্কৰ্য্য, স্থাপত্যবিদ, ইতিহাসবিদ, নৃতাত্বিক, ভাষাতাত্বিক, পৰিৱেশ-পৰিস্থিতি অধ্যয়ন বিজ্ঞানী, উদ্ভিদ-প্ৰাণী বিজ্ঞানী, সমাজ বিজ্ঞানীৰ ভূমিকা পালন কৰিব পৰা গুণমান বিশিষ্ট ব্যক্তি হোৱা প্ৰয়োজন। জৰীপকাৰীয়ে দেশ, প্ৰদেশ, জিলা, মহকুমা, চক্ৰ, মৌজা, গাঁও, চুবুৰী প্ৰভৃতিভেদে সমল আহৰণ কৰিব লাগে। জৰীপকাৰীয়ে জৰীপ কাৰ্যৰ দলপতিৰ নিৰ্দেশ অনুযায়ী নিৰ্দিষ্ট সমল সমূহক আক্ষৰিক ক্ৰম অনুসাৰে বাচি লৈ শ্ৰেণী অনুযায়ী ইয়াক চিহ্নিত (codify) কৰি ল'ব লাগে।

(খ) স্থাননামৰ অক্ষাংশ, দ্ৰাঘিমাংশ বিচাৰ, স্থাননামৰ উচ্চতা নিম্নতা সম্পৰ্কে সমল সংগ্ৰহ কৰা হয়।

(গ) স্থাননামৰ লগত জড়িত সংশ্লিষ্ট নদীৰ সোঁপাৰ - বাঁওপাৰ বা উত্তৰ-দক্ষিণৰ বিচাৰ কৰা হয়।

(ঘ) শুদ্ধৰূপৰ স্থানমানৰ বাচনি কৰা হয়।

(ঙ) স্থাননামৰ অৰ্থ সম্পৰ্কে জানিব পৰা যায়।

(চ) স্থানমাৰ ভাষাতাত্বিক বিশ্লেষণ কৰা হয়।

(ছ) স্থাননামৰ নামকৰণৰ লগত জড়িত নৃগোষ্ঠী বা জাতি-প্ৰজাতিৰ নাম আৰু ভাষা তথা ধৰ্মীয় বৈশিষ্ট্য।

(জ) স্থাননামৰ লগত সংযোজিত ইতিহাস, পাশ্ববৰ্তি অঞ্চলৰ মঠ, মন্দিৰ, দৌল-দেৱালয়, পুখুৰী, ৰাজহাউলি আদি সাংস্কৃতিক উপাদানৰ বিষদ বিৱৰণ।

(ঝ) বিশেষ স্থাননামৰ জনবসতি আৰু বিৱৰ্তন, অৰ্থনৈতিক-সামাজিক তথা ৰাজনৈতিক অৱস্থা।

(ঞ) স্থাননামৰ লগত সংযোজিত ভূ তাত্বিক, পৰিৱেশ সম্বন্ধীয় তথা পুৰাতাত্বিক বিৱৰণ।

(ট) স্থাননামৰ পৰিৱৰ্তন আৰু পুৰণি নামৰ বিশ্লেষণ।

(ঠ) স্থাননামৰ লগত জড়িত জলবায়ু-উত্তাপ, বৰষুণ, জাৰ-জহ।

(ড) স্থাননামৰ লগত জড়িত পৰ্যটন ব্যৱস্থাৰ সা-সুবিধা।

(ঢ) স্থাননামৰ লগত সংশ্লিষ্ট ধৰ্মীয় ধাৰা আৰু পৰম্পৰা প্ৰভৃতিসমূহৰ বিস্তৃত বিৱৰণ ৰাশিয়েই স্থাননামৰ সূক্ষ্ম পৰ্যায়ত প্ৰণালী আৰু পদ্ধতি প্ৰক্ৰিয়া কৰা হয়।

স্থানবাচক নামৰ শ্ৰেণীবিভাজন সাধাৰণতে নামকৰণ প্ৰক্ৰিয়াৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। স্থানৰ নামকৰণ প্ৰক্ৰিয়া বুলিলে মূলতঃ নিম্ন বৰ্ণিত উপাদানসমূহকে বুজা যায়। যেনেঃ- (৮)

ক) প্ৰাকৃতিক উপাদানৰ পৰা হোৱা স্থাননাম।

খ) ব্যক্তিৰ নামৰ পৰা হোৱা স্থান নাম।

গ) সাংস্কৃতিক উপাদানৰ পৰা হোৱা স্থাননাম।

ঘ) লোক সংস্কৃতি-সাহিত্যৰ উপাদানৰ পৰা হোৱা স্থাননাম।

ঙ) ব্যৱসায়, পক্ষী আদিক লৈ হোৱা স্থাননাম।

চ) সাংখ্যিক নাম বা ভৌগোলিক দিশক লৈ হোৱা নাম ইত্যাদি।

স্থাননামসমূহৰ ভাষাতাত্ত্বিক বিশ্লেষণে একো একোটা জাতিৰ ভৌগোলিক অৱস্থিতিৰো (আটাই প্ৰায়) উমান দিয়ে।

# দ্বিতীয় অধ্যায়

## ২.০১ তিতাবৰৰ ইতিহাস ঃ-

আহোম স্বৰ্গদেউসকলৰ দিনতে তিতাবৰ নামটোৰ উদ্ভৱ হোৱা কিংবদন্তিয়ে সাক্ষ্য দিয়ে। বৰ্তমানৰ তিতাবৰ তিনি আলিৰ কাষতে থকা এম.আৰ.এচ স্কুলৰ ওচৰতে তিতাৰাম নামৰ আপোনভোলা স্বভাৱৰ লোক এজন আছিল আৰু তেখেতে এজোপা বৰগছ ডাঙৰ-দীঘল কৰিলে। বাটৰুৱাই জিৰণী ল'ব বুলি তিতাৰামে ৰোপন কৰা 'বৰ' জোপাৰ তলত চৌফলীয়া ৰ'দত সেই কণ জিৰণীৰ ঠাই বিচাৰি পালে। মুখে-মুখে নাম ল'লে বুজ ল'লে তিতাৰামে ক'লে ইজনে - সিজনে তিতাৰামে ৰোপন কৰা বৰ পুলিটোৰ কথা। অনুভৱো হ'ল তিতাৰামৰ দূৰদৰ্শিতাৰ চানেকি তিতাৰামৰ বৰ অৰ্থাৎ তিতাবৰ।

এখন ঠাইৰ নাম মানুহৰ ক্ৰমবিৱৰ্তনত নতুন দৃষ্টিভংগীয়ে ঠাইখনৰ ঐতিহ্যক সৌৰৱাই নতুন সোপানেৰে। তিতাবৰৰ ইতিহাসতো তেনে প্ৰাচুৰ্যতা নথকা নহয়। আহোম স্বৰ্গদেউৰে ৰংপুৰৰ ৰাজধানী যোৰহাটৰ দিচৈ নগৰলৈ স্থানান্তৰ কৰাৰ পিছত তিতাবৰ আহোম স্বৰ্গদেউ ভাতঘৰ হৈ পৰিল। ১৭৯৪ খৃঃত আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহই ৰাজধানী শিৱসাগৰৰ ৰংপুৰৰ পৰা পৰা যোৰহাটৰ দিচৈ নগৰত স্থাপন কৰে। তেতিয়া যোৰহাটক দিচৈ নৈ নামেৰে দিচৈ নগৰ বুলিলে কয়। এইটো ঠিক ১৭৮৪ খৃঃৰ স্বৰ্গদেউ গৌৰীনাথ সিংহ দিনৰ কথা। স্বৰ্গদেউ কমলেশ্বৰ সিংহই যোৰহাটৰ ৰাজধানীৰ পৰা ৰজাবাহৰত (বৰ্তমান তিতাবৰৰ) থাকিবলৈ সুৰক্ষিত চাউনিৰে ৰাজতোলা নিৰ্মাণ কৰিছিল আৰু ৰজাবাহৰলৈ অহা-যোৱা কৰিবলৈ ন-আলি নিৰ্মাণ কৰিছিল। আনহাতে যোৰহাটৰ ৰাজধানীৰ পৰা সেই ৰজাবাহৰলৈ সংযোগ কৰা আৰু নগাপাহাৰৰ দাতিয়েদি গড় আলি নিৰ্মাণ আৰু ন-আলি সংযোগ কৰা ৰজাবাৰীৰ পৰা টিপাম বা টিপমীয়ালৈ বৰবৰুৱা আলি নিৰ্মাণ কৰিলে। গড় আলিক বিবুধিগড় বুলিও কয় এইয়া যোৰহাটৰ ৰাজধানীৰ পথ তিতাবৰ সংযোগী যাতায়ত ব্যৱস্থাই তেতিয়াই সুগম হৈছিল।

তিতাবৰ নামটোৰ লগত আহোমৰ সম্পৰ্ক নাই। আহোমৰ সম্পৰ্ক আছিল হামদৈ চহৰ, বছা চহৰ আৰু দৈয়াং চহৰৰ লগত। বছা চহৰ আৰু হামদৈ চহৰ এই দুখনৰ লগতে তিতাবৰ নামটো জড়িত কাজেই আহোম ৰাজধানীৰ পৰা অৰ্থাৎ যোৰহাটৰ পৰা তিতাবৰত থকা মানে বছা চহৰত অৱস্থিত ৰজাবাহৰ বাহিনীৰ সম্পৰ্ক আছে। বছা ৰাজখোৱাৰ পৰিয়াল এতিয়াও তিতাবৰৰ বিৰিণাশায়েকত আছে। হামদৈ চহৰৰ লগত গোলাঘাটৰ মৰঙীলৈকে সম্পৰ্ক আছিল। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত কমাৰবন্ধা আলি আৰু স্বৰ্গদেউ গদাধৰ সিংহৰ দিনত কমাৰ গাঁৱৰ পৰা জয়পুৰলৈ ২১২ কি.মি. দৈৰ্ঘ্যৰ ধোদৰ আলি নিৰ্মাণ কৰে। ই বৰ্তমান তিতাবৰৰ দুটা প্ৰধান পথ। এই ধোদৰ আলিটো তিতাবৰত মধ্যমণিৰ দৰে।

আহোমৰ ৰাজত্বত তিতাবৰ অৰ্থাৎ পুৰণি বছা চহৰ, হামদৈ চহৰ আৰু দৈয়াং চহৰত আলিবাট বন্ধোৱাৰ ভাৰ আছিল মোমাই তামুলী বৰবৰুৱাৰ ওপৰত। অৱশ্যে তিতাবৰৰ হামদৈ চহৰখন মৰঙীলৈকে বিস্তৃত আছিল। সেয়ে এতিয়াৰ হামদৈ পথাৰ এখন তিতাবৰত আৰু এখন গোলাঘাটত আছে। হামদৈ চহৰখন লতা-কটা ৰণৰ পিছত নিৰ্ণয় কৰা হৈছিল। ইয়াৰ দায়িত্বত আছিল আহোম সেনাপতি হৰনাথ ভিতৰুৱাল ফুকন। লতাকটা ৰণৰ পিছত হৰনাথে বৰ্তমানৰ চুঙীত বাহৰ পাতি কছাৰীক ভেটা দিছিল।

সন্ধিমতে কছাৰী ৰজাৰ কুঁৱৰী কুৰঙ্গনয়নিক ৰজালৈ দিলে আৰু হামদৈ সেনাপতি হৰনাথ ভিতৰুৱাল ফুকনক দিলে। সেই হামদৈৰ নামেৰেই এই চহৰখন কালক্ৰমত হামদৈ চহৰ হ'ল। বুৰঞ্জীমতে এই ঠাইখন দ জলাতক আছিল। এনেকৈ গোট খাই থকা বা হামপাতি থকা দৈ অৰ্থাৎ পানী। 'হাম' মানে গোট খাই থকা আৰু 'দৈ' মানে পানী সেয়ে হামদৈ। ই বড়ো ভাষাৰ মূলৰ পৰাহে উদ্ভৱ হৈছে।

তিতাবৰ নামটো মাত্ৰ ইতিহাসৰ প্ৰবাদ বা কিংবদন্তী অথবা জনশ্ৰুতিৰ উপৰিও ইংৰাজসকলৰ নথি - পত্ৰ খুচৰিলে অধিক স্পষ্ট হ'ব। জনপ্ৰবাদত স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ ৰাণী তিতাবৰৰ ৰজাবাহৰলৈ আহোঁতে অমুতক জ্বৰত আক্ৰান্ত হৈছিল বুলি কোৱা হয়। বাটতে নে বাহৰতে তুংখুঙীয়া বুৰঞ্জীত নিমাত। হেৰম্বৰ পূজাৰী অথবা সূৰ্য্যকুমাৰ ভূঞাৰ বুৰঞ্জীতো বিতং তথ্য নাই। হ'লেও ৰাণীৰ জ্বৰ ভাল কৰিবলৈ বৈদ্যই 'চিৰতা' ঔষধ দিলে। ৰাণীয়ে খাওঁতে বৰ তিতা পালে। তেখেতৰ মুখতে ওলাল তিতা বৰ। কাজেই ৰাণীৰ মুখত ওলাল দৰৱটো তিতাবৰ বুলি সেয়ে তিতাবৰ নামটোৰ প্ৰথম খোজ বুলি এচাম লোকে ক'ব খোজে। পাছে ইংৰাজ বিলাকে অসমত প্ৰথম মাটিৰ জৰীপ কৰা কামটো আৰম্ভ কৰিছিল ১৯১৫ চনৰ ইংৰাজৰ জৰীপ চিঁটা বহীত তিতাবৰ নামটো 'TITABUR' বুলি । এইটোৱেই হয়তো তিতাবৰ নামটোৰ প্ৰামান্য তথ্য হ'ব।

বুৰঞ্জীৰ তথ্যমতে ১৬৮৭ চনত গদাধৰ সিংহই ধোদৰ আলিটো নিৰ্মাণ কৰে। এই আলিটোৰ লগত কমাৰবন্ধা নামটোৰ সম্পৰ্ক আছে। ১৮৬৭ চনতে আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই এই কমাৰবন্ধা আলিটো নিৰ্মাণ কৰিছিল। ৰাজধানীলৈ কমাৰ গাঁৱৰ পৰা কমাৰে সঁজা দা-কুঠাৰ, যাঠি-জোং ইত্যাদি আহিলা পাতিবোৰ আনিবলৈ সহজ চমু পথ এটাৰ দৰকাৰ হোৱাত কমাৰবন্ধা আলিটো নিৰ্মাণ কৰে। ধোদসকলৰ দ্বাৰা নিৰ্মিত আলিক যেনেকৈ ধোদৰ আলি বুলি কোৱা হয় ঠিক তেনেদৰে কমাৰ গাঁৱলৈ সংযোগী হোৱা পথ বাবেই কমাৰবন্ধা আলি নাম দিয়া হয়। ধোদৰ আলি নিৰ্মাণৰ লগত স্বৰ্গদেউৰ ধোদ নিবাৰণ কৰা কৰ্ম সংস্কৃতি গঢ়ি তোলা দুটা কথাই জড়িত হৈ আছে। আনহাতে কমাৰ গাঁৱলৈকে ধোদৰ আলিটোৰ প্ৰয়োজনো আছিল। নগাৰ উপদ্ৰৱ আৰু কছাৰীৰ উপদ্ৰৱ বাধা দিবলৈ যাতায়তৰ প্ৰয়োজন হৈছিল। ধোদৰ আলিৰ কাষতে তিতাবৰৰ নাতিদূৰত পশ্চিমে ৰজাবাৰী আৰু আমগুৰি খাট আছে। এই ঠাইতে ৰজাদিনীয়া এখন মেলাও হৈছিল। মাটি-বাৰী, জোখ-মাখ কৰা কাকতিৰ কুৰি বা খেল এটা ইয়াতে আছিল। সেই ঠাইখনেই কাকতিকুৰি।

আহোম স্বৰ্গদেও কমলেশ্বৰ সিংহ বৰহোলাৰ ৰজাবাহৰত আছিল। তুংখুঙীয়া বুৰঞ্জীয়ে ইয়াক ৰজাৰ সৰুবাহৰ বুলিহে কৈছে। তিতাবৰ আমগুৰি খাটৰ ৰজাবাৰীতো ৰজাই বাহৰ পাতিছিল। ইয়াত মেলা চাইছিল। এই মেলা হোৱা ঠাইখনেই হৈছে মেলামাটি। বুৰঞ্জীয়ে কয় মেলামাটিলৈকে বছা চহৰৰ আওঁতাত আছিল। বছা ৰাজখোৱাৰ ঘৰ বিৰিণাশায়েকত। ৰাজখোৱা পৰিয়াল এতিয়াও আছে। বছা চহৰৰ সমস্ত চোৱাচিতা কৰিব লাগে এই বছা ৰাজখোৱাই হামদৈ চহৰখন আহোম স্বৰ্গদেউৰ দিনত ধীৰাই মেধিয়ে চোৱাচিতা কৰিছিল। পিছলৈ ঠেঙাল চহৰ পৃথক হ'ল। এইবোৰ ঠাই তিতাবৰৰ লগত সম্পৰ্ক আছিল বৃটিছৰ দিনলৈকে।

তিতাবৰত সংবাদ সেৱাৰ ইতিহাস বহুত প্ৰাচীন। বাতৰি কাকতৰ জন্ম তিতাবৰত ১৯৩৫ চনত তিতাবৰৰ শিৱপ্ৰসাদ বৰুৱাৰ বঙলাতে ককা নীলমণি ফুকনৰ সম্পাদনাত দৈনিক বাতৰি প্ৰকাশ পাইছিল। ইয়েই সংবাদ জগতৰ অসমত প্ৰথম সৃষ্টি।

অসমত স্বাধীনতাৰ বীজ খুমিয়াত চৈয়দ চাদুল্লা প্ৰধানমন্ত্ৰী হৈ থাকোঁতে আৰু গোপীনাথ বৰদলৈ পিছত প্ৰধানমন্ত্ৰী হওঁতে তিতাবৰ বিধানসভা সমষ্টি নাছিল। উত্তৰ আৰু দক্ষিণ যোৰহাট বিধানসভা সমষ্টি হৈ আছিল। তিতাবৰ দক্ষিণ যোৰহাট বিধান সভা সমষ্টিত আছিল। দক্ষিণ যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক আছিল হৰিনাৰায়ণ বৰুবা। স্বাধীনতাৰ পিছত ১৯৫২ চনৰ প্ৰথম বিধানসভা নিৰ্বাচনত বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল সৰযু প্ৰসাদ সিং। কংগ্ৰেছ নাছিল প্ৰজা চ'চিয়েলিষ্ট পাৰ্টিৰ। প্ৰতীক আছিল দগা-পাল্লা। পৰৱৰ্তী কালত কংগ্ৰেছৰ প্ৰাৰ্থী যোৰহাটৰ দেবেশ্বৰ শৰ্মা, সৰ্বেশ্বৰ বৰদলৈ, জয়চন্দ্ৰ বৰা(তিতাবৰ), গিৰিধৰ ঠেঙাল (তিতাবৰ)। এওঁ চি.পি.আই. দলৰ আছিল। পুনৰ কংগ্ৰেছৰ জয়চন্দ্ৰ বৰা, অসম গণ পৰিষদৰ দেৱকুমাৰ বৰা(যোৰহাট), কংগ্ৰেছৰ মহেন্দ্ৰ বৰা(তিতাবৰ), অ.গ.প.ৰ হেমন্ত কলিতা(যোৰহাট), কংগ্ৰেছৰ দীপ গগৈ(যোৰহাট), তৰুণ গগৈ কংগ্ৰেছৰ। এই গৰাকী তৰুণ গগৈ অসমৰ মুখ্যমন্ত্ৰী হৈ ১৫ বছৰ তিতাবৰক প্ৰতিনিধিত্ব কৰিলে। তৰুণ গগৈৰ দিনতে তিতাবৰ মহকুমা হ'ল। ২০০২ চনৰ পৰা তিতাবৰ মহকুমাৰ কাম আৰম্ভ হ'ল। প্ৰথম মহকুমাধিপতি হিচাপে কাৰ্য নিৰ্বাহ কৰিলে কনক শৰ্মাই। বৰ্তমান ১১ জন মহকুমাধিপতি তিতাবৰত কাৰ্যনিৰ্বাহ কৰিলে।

# তৃতীয় অধ্যায়

## ৩.০০ তৃতীয় অধ্যায়

### ৩.০১ তিতাবৰ অঞ্চলৰ ঠাইৰ নামৰ ইতিহাস ঃ

মহাকবি শ্বেক্সপীয়েৰে কৈছিল যে "নামতনো কি আছে? গোলাপক যি নামেৰেই মতা নহওক কিয়, তাৰ সৌন্দৰ্য আৰু সুগন্ধ একেই থাকিব। সেয়ে হ'লেও মানৱ সভ্যতাৰ আৰম্ভণীৰে পৰা নামকৰণ প্ৰক্ৰিয়া চলি আহিছে আৰু চলি থাকিব। মানৱ সভ্যতাৰ প্ৰথম দুটি মানৱ প্ৰাণীক নামকৰণ কৰা হৈছিল— 'আদম' অৰ্থাৎ প্ৰথম পুৰুষ আৰু 'ইভ' প্ৰথম নাৰী ৰূপে।

বস্তুবাচক নাম, ব্যক্তিবাচক নাম, স্থানবাচক নামৰ নামকৰণ প্ৰক্ৰিয়া সম্বন্ধে আমাৰ দেশৰ প্ৰখ্যাত ব্যাকৰণবিদ্ পাণিনিয়ে খ্ৰীঃপূঃ পঞ্চম শতাব্দীতে এক গভীৰ অন্তৰ্নিহিত আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰি গৈছে।

তিতাবৰৰ ভৌগোলিক অৱস্থান হৈছে ৯০°১১ পূব দ্ৰাঘিমাংশ আৰু ২৬°৫৫ উত্তৰ অক্ষাংশ।

একোডোখৰ ঠাইৰ নামৰ সৈতে ঠাইডোখৰৰ বুৰঞ্জী আৰু কৃষ্টি জড়িত থাকে। এনে ঠাইৰ নামৰ পৰাই ঠাইডোখৰৰ বিষয়ে জনাত কিছু সুবিধা হয়। যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ অন্তৰ্গত কিছুমান ঠাইৰ নামৰ তাৎপৰ্য সম্পৰ্কে এই প্ৰকল্পটিত আলোচনা কৰা হৈছে।

**বগাৰ গাঁওঃ**

যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ, তিতাবৰ মৌজাৰ এখন পুৰণি তথা বুৰঞ্জীয়ে পৰশা গাঁও হৈছে বগাৰ গাঁও। যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ ভিতৰতে বগাৰ গাঁও অঞ্চলটি কলা-কৃষ্টি,সাহিত্য-সংস্কৃতি, বিদ্যা-শিক্ষা, খেলা-ধূলা আদি সকলো দিশতে অগ্ৰণী এখন পুৰণি গাঁও।

বগাৰ গাঁও উত্তৰে —ধলী নদী, দক্ষিণে— বুৰঞ্জীয়ে পৰশা হামদৈ পথাৰ,পূৱে — মেজেঙ্গা চাহ বাগিছা আৰু পশ্চিমে — কুহুম চাহ বাগিছাই পৰিৱেষ্টিত কৰি ৰাখিছে ধলী আৰু বোকাজান নামৰ এটি সৰুজান আৰু গাঁওবাসীৰ অন্যতম অন্নৰথলী হৈছে হামদৈ পথাৰ।

আহোম কুলৰ লুখুৰা খনীয়া ফৈদৰ বগা শইকীয়া নামৰ এজন প্ৰভাৱশালী লোক বৰ্তমান শইকীয়া চুকত আছিল। সেই বগা শইকীয়াৰ নামৰ পৰাই 'বগাৰ গাঁও' নামটো উৎপত্তি হ'ল বুলি শুনা যায়। প্ৰবাদ আছে যে বগা শইকীয়া ইমানেই ক্ষমতাশালী আছিল যে আগতীয়া অনুমতি অবিহনে তেখেতৰ ঘৰৰ আগেদি কোনো বিবাহ যাত্ৰী অথবা সামূহিকভাৱে যোৱা লোক যাব নোৱাৰিছিল। সেই পৰিয়ালৰ বৰ্তমান জীৱিত থকা পদ্মেশ্বৰ শইকীয়াৰ পৰা জনা মতে সেই পৰিয়ালৰ কিছু লোক লখিমপুৰলৈ স্থানান্তৰিত হৈছে। দুঘৰমান মাজগাঁৱত আৰু কেইঘৰমান চকিয়াল,খাৰখোৱা আদি গাঁৱত আছে। গাঁওখনৰ নামৰ উৎপত্তিৰ দৰে প্ৰতিটো চুবুৰীৰ প্ৰতিটো পৰিয়াল, প্ৰতিটো আচাৰ-অনুষ্ঠান,জান-জুৰি, পুখুৰী, পথাৰ, বাঁহনি-কাঠনি, আলি-পদূলি, চৰ-চাপৰি, টিলা আদি নামৰ লগত কিবা নহয় কিবা এটা স্মৃতিৰ পৰশ আছে। হামদৈ পথাৰ, গৰিয়াভেটি, ন-গোসাঁইৰ বাৰী, ন-গোসাঁইৰ নামঘৰ(চুবুৰী), মটকৰ থান বুৰঞ্জীৰ পৰশ পৰা ঠাই।

বগাৰগাঁও বুলি ক'লে বাহিৰত সাধাৰণতে বগাৰ গাঁও,বালিপৰীয়া কুহুম গ্ৰাণ্ট আৰু মেজেঙ্গা গ্ৰাণ্টকে বুজায়। কেওখন ৰাজহ গাঁও।

গাঁওখনৰ প্ৰতিটো চুবুৰী এফাল যদি বগাৰ গাঁৱত অন্যফালে আকৌ বালিপৰীয়া গাঁৱত। চুবুৰীৰ ভিতৰত হৈছে— মাজৰ চুক(পথাৰৰ চুক, আহোমৰ চুক), ভৰকমৰা কপাহুনী, পানীচোং, মটকৰ চুক, হোকোৰা চুক,তামুলী চুক, ঠেকেৰাগুৰি,শইকীয়া চুক, চাপৰি চুক, চিপহা আদি চুবুৰী আছে। প্ৰতিটো চুবুৰীতে একো ভাগিকৈ নামঘৰ আছে।

**ধলী মলিয়া গাঁওঃ**

তিতাবৰ অঞ্চলৰ এখন অন্যতম গাঁও হৈছে ধলী মলিয়া গাঁও। পূবে পাণবাৰী, পশ্চিমে চুঙী, উত্তৰে বুঢ়াগাঁও আৰু দক্ষিণে কাৰলিবাৰী। উক্ত চাৰিসীমাৰ মধ্যত ধলি মলিয়া গাঁও অৱস্থিত।

কণৌজৰ পৰা চক্ৰধ্বজ সিংহৰ দিনত ব্ৰাহ্মণ সম্প্ৰদায় লোকসকলক অনা হৈছিল। পূৰ্বতে তেওঁলোকে শিৱসাগৰৰ আমগুৰিখাটত আছিল। মাজুলী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰে দেৱোত্তৰ মাটি দি মলিয়া গাঁৱত প্ৰতিষ্ঠা কৰিছিল। সকলোখিনি দেৱোত্তৰ মাটি আছিল। সেই মাটি সত্ৰলৈ তুলসী বা টংলতি মালা দিব লাগে। প্ৰত্যেক বছৰে এই মালা দিব লাগে। সেইকাৰণে নামটো মলিয়া হ'ল। দেৱোত্তৰ মাটি খাজনাৰ পৰিৱৰ্তে মালা দিয়া হয়। সেইবাবে 'মলিয়া গাঁও' হ'ল। প্ৰথমতে এই মালা মাজুলীত দিব লগা হৈছিল। কিন্তু এতিয়া মালা পৰিৱৰ্তে খাজনা দিব লাগে।

**ধলীকোষ মলিয়া (হাতীবন্ধা গাঁও)ঃ**

তিতাবৰ অঞ্চলৰ এখন ঠাই হৈছে ধলিকোষ মলিয়া। পূবে—ধলী নদী, পশ্চিমে—মলিয়া গাঁও, উত্তৰে— বাঘৰচুক আৰু দক্ষিণে কাৰলিবাৰী আছে। উক্ত চাৰিসীমাৰ মধ্যস্থানত ধলী কোষ মলিয়া অৱস্থিত।

পাহাৰৰ পৰা বৈ অহা এখন নদী হৈছে ধলী নদী। য'ত ধলী নদীখনে চুই আহিছে তাক ধলী নামেৰে নামকৰণ কৰা হয়। যেনে—উপধলী, মৰধলী, ধলীকোষ - মলিয়া, নামধলী। নৈৰ পাৰতে বাবে এই ঠাইখনৰ নাম দিয়া হৈছে ধলী-কোষ মলিয়া।

কিছুদিনৰ আগত এই ঠাইখন হাবি হৈ আছিল। গতিকে তাত বিভিন্ন ঠাইৰ পৰা আনি হাতীবোৰ বান্ধিছিল। সেইবাবে ধলীকোষ মলিয়া (হাতীবন্ধা গাঁও) বুলি কোৱা হয়। এই গাঁৱখনত ঠেঙাল কছাৰীসকলে বসবাস কৰে।

**বাঘৰচুকঃ**

তিতাবৰ অঞ্চলৰ এখন ঠাই হৈছে— বাঘৰচুক। পূবে—ৰতনপুৰ, পশ্চিমে—মলিয়া গাঁও, উত্তৰে— নাৰায়ণপুৰ আৰু দক্ষিণে ধলী নদী। উক্ত চাৰিসীমাৰ মধ্যস্থানত বাঘৰচুক ঠাইখন অৱস্থিত। কিছুদিনৰ আগত এই ঠাইত যথেষ্ট সংখ্যক হাবি-জংঘল আৰু বাঘ আছিল। এই ঠাইত বাঘবৰা বুলি এটা পৰিয়াল আছিল। আগতে বাঘৰ চোঙৰ দায়িত্বত থকাসকলৰ উপাধি আছিল বাঘবৰা। প্ৰথম পৰিয়ালটোৰ ব্যক্তিজন আছিল বেণুধৰ বাঘবৰা। বাঘবৰা পৰিয়ালটো কেন্দ্ৰ কৰিয়েই 'বাঘৰচুক' নামটো নামাকৰণ কৰা হয়। তেওঁলোকৰ বংশটো কৃষিৰ লগত জড়িত নাঙলৰ বংশ।

## তামোলবাৰীঃ



তিতাবৰ অঞ্চলৰ এখন অন্যতম ঠাই হৈছে তামোলবাৰী। তামোলবাৰীৰ পূবে—নাৰায়ণপুৰ চাহ বাগিছা( পাণবাৰী), পশ্চিমে—হাঁহচৰা পথাৰ( ঠেঙালবাৰী), উত্তৰে— কমাৰবন্ধা চাহ বাগিছা আৰু দক্ষিণে — চুঙী পথাৰ। উক্ত চাৰিসীমাৰ মধ্যস্থানত তামোলবাৰী অৱস্থিত।

যিহেতু উপৰিপুৰুষসকলৰ কথা মতে কিছুসকল ব্যক্তিয়ে এই ঠাইত নতুনকৈ বসতি স্থাপন কৰে। তাৰ লগতে হাবি-জংঘল কাটি ঘৰ বান্ধে আৰু তামোলৰ বাৰী পাতে। ইয়াৰে কিছুসকল ব্যক্তিয়ে চকুত লগাকৈ তামোল পুলি ৰোপন কৰে। কালক্ৰমত সেই তামোল পুলিৰ পৰাই প্ৰবাদমতে তামোলবাৰী গাঁও হিচাপে পৰিগণিত হয়। সেই তামোলৰ লগতে পাণ গছো ৰোপন কৰে। সেয়েহে কালক্ৰমত তামোল আৰু পাণবাৰী লগালগ কৈ থকা দেখা যায়।

যিহেতু, বৰ্তমানৰ ব্যক্তিসকল এই ঠাইৰ বাসিন্দা নাছিল। তেখেতসকল প্ৰায় ৫ কি.মি. নামনিত থকা ঠেঙালবাৰী নামৰ ঠাইৰ পৰা উঠি আহি বসতি স্থাপন কৰে আৰু বংশ-পৰিয়াল এৰি থৈ অহা স্থানবিলাক এতিয়াও নামাকৰণ হৈ আছে। যেনে— ধোদৰ আলি, গধাবাৰী আদি।

কালক্ৰমত এই স্থানত পাণবাৰী বাগিছাৰ কাষত এখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰা হয় আৰু এম.ই. আৰু হাইস্কুল প্ৰতিষ্ঠা হয়। গাঁওখনৰ ধৰ্মীয় অনুষ্ঠান হিচাপে প্ৰথম এভাগ নামঘৰ প্ৰতিষ্ঠিত হয়। কালক্ৰমত সেই নামঘৰৰ পৰাই আৰু দুভাগ নামঘৰ প্ৰতিষ্ঠা কৰা হয়। তাত এটা সামাজিক অনুষ্ঠান 'নৱজ্যোতি যুৱ সংঘ' আৰু ' পুৰু সন্ধানী মইনা পাৰিজাত' এ বৰ্তমান গাঁওখনক আগবঢ়াই নিয়াত সহায় কৰিছে।

১০ টা ৱাৰ্ডক লৈ ৬৬ নং পশ্চিম ঠেঙাল গাঁও পঞ্চায়ত তাগিদা লৈ কাৰ্যালয় এই গাঁৱতে অৱস্থিত। গাঁৱখনৰ ঐতিহ্য হিচাপে ১৯৭৯ চনত অসম চৰকাৰৰ ৰেচম বিভাগৰ যোগেদি আৰু তামোলবাৰী গাঁৱৰ ৰাইজৰ সহযোগত মুগা পাম স্থাপিত হয় (মুগা খাদ্য বৃক্ষ ৰোপন কেন্দ্ৰ/ Muga Food Plantation centre,MFPC)।

আৰ্থিকভাৱে এই গাঁৱখনৰ লোকসকল বৰ পিছপৰা আছিল। কালক্ৰমত উপৰোক্ত মুগা পামখনে সেইসময়ৰ পৰা মুগাপালন কৰি আৰ্থিকভাৱে বহুতো পৰিয়ালক সকাহ দিয়ে। তাৰ পাছতেই গাঁৱখনৰ প্ৰায়সকল লোকে খেতিৰ লগতে চাহখেতি কৰিবলৈ আৰম্ভ কৰে। বৰ্তমান শিক্ষিত নিৰনুৱা যুৱক এই চাহখেতিৰ দ্বাৰাই স্বাৱলম্বী হৈছে। ইয়াৰ লগতে সাঁচি খেতিয়েও ব্যৱসায় ৰূপত ৰোপন কৰি আৰ্থিকভাৱে উপকৃত হৈছে।

২০১৩ চনত তিনিখন পঞ্চায়তক লৈ এই স্থানতে (তামোলবাৰীতে) এক বৃহৎ বিশুদ্ধ খোৱাপানীৰ যোগানৰ ব্যৱস্থা চৰকাৰে কাম চলাই আছে। বৰ্তমান গাঁও খনত প্ৰায় ১১২ ঘৰ স্থায়ী বাসিন্দা হিচাপে আছে। এইসকল ঠেঙাল জনজাতিৰ লোক। তেওঁলোক অসমীয়া ভাষী লোক।

লোকসাহিত্যৰ প্ৰভাৱঃ এই গাঁও শিল্পী-সাংস্কৃতিক দিশত যথেষ্ট আগবঢ়া। ইয়াতে ঢোল আৰু খোল তৈয়াৰ কৰা মিস্ত্ৰী বৰ্তমানো আছে আৰু ঢুলীয়া আৰু বায়ন বৰ্তমানো চলি আছে। উদাহৰণস্বৰূপে ঢোল আৰু খোল কুন্দত দিয়া মিস্ত্ৰী হৈছে—শ্ৰীকমল শইকীয়া আৰু পদ্ম শইকীয়া। বায়ন —প্ৰয়াত বাবুলী শইকীয়া, প্ৰয়াত সৰুকণ শইকীয়া তেওঁলোকৰ তত্ত্বাৱধানত এতিয়াও ঢোলবাদ্য আৰু খোলবাদ্য বৰ্তি আছে।

এই স্থানতে এখন সুন্দৰ খেলপথাৰ আছে। প্ৰতিবছৰে এই খেলপথাৰত বিভিন্ন জিলাৰ পৰা ফুটবল খেলুৱৈ আহি খেল প্ৰদৰ্শন কৰে আৰু দৰ্শক হিচাপে ৩০০০-৫০০০ লৈকে দৰ্শক উপস্থিত হয়।

**পাণবাৰীঃ**

তিতাবৰ মহকুমাৰ অন্তৰ্গত আন এখন ঠাই হৈছে পাণবাৰী। পাণবাৰীৰ পূবে — পাণবাৰী বনুৱা লাইন, পশ্চিমে —বুঢ়াগাঁও, উত্তৰে—তামোলবাৰী আৰু দক্ষিণে— চুঙী পথাৰ আৰু মলিয়াগাঁও। উক্ত চাৰিসীমাৰ মধ্যত পাণবাৰী অৱস্থিত।

এই ঠাইখন এসময়ত আউনী পাণেৰে পৰিপূৰ্ণ আছিল। গছে-বনে, জেওৰাপৰ্যন্ত আউনী পাণ বগাই ফুৰে। সেইবাবেই এই ঠাইৰ নাম হ'ল 'পাণবাৰী'। এই ঠাইৰ অধিকাংশ মানুহেই জাঁজীৰ পৰা অহা।

**বুঢ়াগাঁওঃ**

বুঢ়াগাঁও হৈছে তিতাবৰ মহকুমাৰ অন্তৰ্গত এখন অন্যতম গাঁও। বুঢ়াগাঁৱৰ পূব দিশত নাৰায়ণপুৰ চাহ বাগিচা আৰু বাঘৰচুক, পশ্চিমে—চুঙী, উত্তৰে—ঠেঙালবাৰী আৰু বামুণীবাৰী চাহ বাগিচা, দক্ষিণে— ধলী মলিয়া গাঁও আছে। উক্ত চাৰিসীমাৰ মধ্যত বুঢ়াগাঁও অৱস্থিত।

বুঢ়াগাঁও হৈছে অতি পুৰণি গাঁও। অতীজতে এই গাঁৱত যথেষ্ট বয়সস্থ লোক আছিল। প্ৰায় ১০৩ বছৰ ১০৪ বছৰ,১০৫ বছৰ বয়সিয়াল মানুহ এই গাঁৱখনত বসবাস কৰিছিল। সেই বয়সস্থ লোকৰ ভিতৰত এজন ব্যক্তি ১০৬ বছৰ জীৱিত আছিল আৰু সেই নামৰ পৰাই বুঢ়াগাঁও নামাকৰণ হয় বুলি উপৰি পুৰুষসকলে কয়। সেই গাঁৱৰ পৰাই বিভিন্ন ঠাইলৈ উঠি গৈ বসতি স্থাপন কৰিছে। এই গাঁৱখনৰ লোকসকল প্ৰায় কৃষিজীৱি। বৰ্তমান ধানখেতিৰ লগতে চাহখেতি, সাঁচিখেতি আৰু মীন পালনৰ জৰিয়তে বহুখিনি নিবনুৱা সংস্থাপিত হোৱা দেখা যায়। অতি পুৰণি ভাৰত স্বাধীন হোৱাৰ প্ৰাগমুহূৰ্তত প্ৰতিষ্ঠিত এখন বুঢ়াগাঁও প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠিত হয়। ইয়াৰ লগতে সামাজিক অনুষ্ঠান হিচাপে প্ৰগতি সমাজ যুৱ সংঘ, মহিলা সমিতি আৰু ধৰ্মীয় অনুষ্ঠান হিচাপে তিনিভাগ নামঘৰ কালক্ৰমত প্ৰতিষ্ঠিত হয়। বুঢ়াগাঁৱত প্ৰায় ১৬৩ ঘৰ বাসিন্দা আছে।

বৰ্তমান প্ৰায় ৯২ বছৰীয়া ব্যক্তি শ্ৰীকেক' শইকীয়াই খুউব সুন্দৰকৈ বাঁহৰ ঢৰা, খৰাহী, পাচি, বিচনী, ডলা আদি বাঁহেৰে তৈয়াৰ কৰা সকলো সামগ্ৰী বনাব পাৰে। তেখেতে তৈয়াৰ কৰা সামগ্ৰী সুদূৰ লণ্ডনলৈ স্থানান্তৰিত হৈছে। বুঢ়াগাঁও ঠেঙাল কছাৰী অধ্যুষিত গাঁও।

**বেবেজীয়া গাঁওঃ**

তিতাবৰ অঞ্চলৰ এখন অন্যতম ঠাই হৈছে বেবেজীয়া গাঁও। বেবেজীয়া গাঁৱৰ পূবে— কছাৰী গাঁও, পশ্চিমে— পটিয়া গাঁও, উত্তৰে— তাঁতী গাঁও আৰু দক্ষিণে—ধোদৰ আলি। এই চাৰিসীমাৰ মধ্যত বেবেজীয়া গাঁও অৱস্থিত।

'বেবেজীয়া' নামটো তেওঁলোকে জনাত আহোম ৰজা চন্দ্ৰকান্ত সিংহৰ দিনত মানসকল আহি অসমৰ স্বৰ্গদেউ আৰু সতীৰ্থসকলক অত্যাচাৰ কৰিছিল। যাৰ ফলত মানৰ অত্যাচাৰৰ ভয়তেই প্ৰজাসকল

যেনিয়ে-তেনিয়ে পলায়ন কৰিব লগা হয়। তেতিয়াৰ দিনতেই বাবে ৰকমৰ প্ৰজা আহি বা মানুহ আহি এই ঠাইতে বসতি পাতি গাঁও এখন হৈ থকাৰ বাবে বেবেজীয়া গাঁও নাম দি পৰিয়ালসকলে বসতি স্থাপন কৰি এতিয়াও নামটো বেবেজীয়া হৈ ৰ'ল।

বহুজনৰ মতত উল্লেখ কৰে যে উক্ত গাঁৱৰ নাম গৰু চেলোৱা বেবেজীয়া বুলিও কয় বিশেষ ৰাইজৰ মন্তব্যত।

### বেবেজীয়া কছাৰী গাঁওঃ

আহোম ৰজা চন্দ্ৰকান্ত সিংহৰ দিনত মানসকল অসমলৈ আহি অসমৰ স্বৰ্গদেউ আৰু সতীৰ্থসকলক অত্যাচাৰ কৰিছিল। যাৰ বাবে মানৰ অত্যাচাৰৰ ভয়তেই প্ৰজাসকলে যেনিয়ে-তেনিয়ে পলায়ন কৰিব লগা হয়। তেতিয়াৰ দিনতেই বাবে ৰকমৰ মানুহ বা প্ৰজায়ে আহি বেবেজীয়াৰ পৰা জাতিগত হৈ কছাৰী সম্প্ৰদায়ৰ লোকসকলে বেলেগ কেইবাটাও চুবুৰী পাতি সকলোটি পৰিয়ালে এখন তেতিয়া দিনতেই 'কছাৰী গাঁও' পাতে। সেইকাৰণে বেবেজীয়া কছাৰী গাঁও বুলি নামটো পৰিচিত হয়।

### ন-গাঁওঃ

আহোম ৰজা চন্দ্ৰকান্ত সিংহৰ দিনত মানসকল অসমলৈ আহিছিল। অসমলৈ আহি মানসকলে অসমৰ স্বৰ্গদেউ আৰু সতীৰ্থসকলক অত্যাচাৰ কৰিছিল। যাৰ বাবে মানৰ অত্যাচাৰৰ ভয়তেই প্ৰজাসকলে যেনিয়ে-তেনিয়ে পলায়ন কৰিব লগা হয়। তেতিয়াৰ দিনতেই বাবে ৰকমৰ মানুহ বা প্ৰজায়ে আহি বেবেজীয়াৰ পৰা জাতিগত হৈ কছাৰী সম্প্ৰদায়ৰ লোকসকলে বেলেগ কেইবাটাও চুবুৰী পাতি সকলোটি পৰিয়ালে এখন তেতিয়া দিনতেই কছাৰী গাঁও পাতে। তাৰে কেইটামান চুবুৰী শেহতীয়াকৈ উঠি গৈ পুনৰ এখন গাঁও পাতে। তেওঁলোকে জনাত সেই অঞ্চলটো বা গাঁওখনৰ নাম তেওঁলোকে দি ল'লৈ 'ন-গাঁও' বুলি। আজি পৰ্যন্ত উক্ত ঠাইখন ন-গাঁও নামেৰে জনা যায়। প্ৰত্যেকজন ব্যক্তিয়ে অসমীয়া ভাষা কয়।

### সোণালী গাঁওঃ

তিতাবৰ অঞ্চলৰ এখন অন্যতম ঠাই হৈছে 'সোণালী গাঁও'। সোণালী গাঁৱৰ পূবে— তিতাবৰ ৰেচম পাম, পশ্চিমে— চৰকাৰী আলিবাট, উত্তৰে—মেজেঙ্গা চাহ বাগিছা আৰু দক্ষিণে— তৃতীয় অসম আৰক্ষী বাহিনী। উক্ত চাৰিসীমাৰ মধ্যত সোণালী গাঁও অৱস্থিত।

অতীজতে চাহ বাগিছাৰ শশী বৰুৱা নামেৰে এজন জমিদাৰ আছিল। চাহ বাগিছাৰ বাহিৰত চিলিং চৰকাৰৰ মেজেঙ্গা গ্ৰাণ্টৰ এখিনিমান মাটি ৰাইজক বিক্ৰী কৰি দিছিল। সেই মাটিত ৰাইজে ধানখেতি কৰিছিল। ধানখেতিত ভাল ফল নোপোৱাত যাক-তাক বেচা-কিনা কৰি বসবাস কৰি গাঁও পাতিলে। গাঁওখনৰ পথাৰত সোণোৱালী ধানেৰে ভৰপূৰ হৈ আছিল। সমূহ ৰাইজে সভা পাতি এজন ব্যক্তিয়ে নামঘৰ কাৰণে তেখেতে নিজৰ ভূমিদান কৰিলে। সেইজনেই সোণোৱালী পথাৰৰ বাবে সোণালী নাম দিলে ভাল হ'ব বুলি প্ৰস্তাৱ দিলে। তাত ঘৰ-দুৱাৰ সঁজা লোকসকলে সভা পাতি আলোচনামৰ্মে

সোণোৱালী হোৱৰ বাবে 'সোণালী গাঁও' নামেৰে গাঁওখন নামকৰণ কৰি বিভিন্ন জনগোষ্ঠীলোকে এই গাঁৱত মাটি কিনি একেলগে মিলাপ্ৰীতিৰে বসবাস কৰি আছে। বৰ্তমান প্ৰায় ৯০-১০০ ঘৰ মানুহ এই ঠাইত বসবাস কৰি আছে।

**তাঁতী গাঁওঃ**

তিতাবৰ অঞ্চলৰ আন এখন ঠাই হৈছে তাঁতী গাঁও। তাঁতীগাঁৱৰ পূবে— তৃতীয় অসম আৰক্ষী বাহিনী, পশ্চিমে— হামতৈ পথাৰ, উত্তৰে — চিপহা সত্ৰ আৰু দক্ষিণে— উত্তৰ পূব সীমান্ত ৰেলপথ। উক্ত চাৰিসীমাৰ মধ্যত তাঁতী গাঁও অৱস্থিত।

অতীজৰে আহোম ৰজাৰ দিনত পুৰুষসকলে তাঁতশালত পাটি কাপোৰ বৈছিল। সেই কাপোৰ ৰজাৰ ঘৰত দিছিল। একে ৰাতিৰ ভিতৰতে সেই কাপোৰ তৈয়াৰ কৰা হৈছিল আৰু সেই কাপোৰ পিন্ধিয়েই ৰজাই যুদ্ধ কৰিবলৈ গৈছিল। তেওঁলোকে সেইসময়ত অন্যান্য কাপোৰৰ উপৰিও পাট কাপোৰ বৈছিল। তাঁত বোৱাৰ কাৰণেই আহোম ৰজাৰ দিনত এই গাঁওখনৰ নাম তাঁতী গাঁও নামেৰে নামকৰণ কৰা হয়। তাঁতী গাঁও হৈছে তাঁতশালৰ বাবে বিখ্যাত। বৰ্তমান সময়ত পুৰুষ-মহিলা উভয়ে তাঁতশালত কাপোৰ বয়।

**কাঞ্চন নগৰ :**

তিতাবৰ অঞ্চলৰ এখন অন্যতম ঠাই হৈছে কাঞ্চন নগৰ। কাঞ্চন নগৰৰ পূবে— তৃতীয় অসম আৰক্ষী বাহিনীৰ মুখ্য কাৰ্যালয়, পশ্চিমে— চিপহা সত্ৰ, হামতৈ পথাৰ, উত্তৰে— বগাৰ গাঁও আৰু দক্ষিণে— তাঁতী গাঁও, উত্তৰ-পূব সীমান্ত ৰেলপথ। উক্ত চাৰিসীমাৰ মধ্যত কাঞ্চন নগৰ অৱস্থিত।

কাঞ্চন নগৰ অঞ্চলটো মেজেঙ্কা গ্ৰাণ্টৰ মাটি। তাৰ আগতে বৰ্তে কিজ্ৰাণ্ড নামেৰে জনা যায়। মাটিখিনিত বিভিন্ন ঠাইৰ পৰা মানুহ আহি বসতি কৰিবলৈ লয়। তাৰ আগতে এই অঞ্চলত স্থানীয় বাইজে কুঁহিয়াৰ খেতি কৰিছিল। কাঞ্চন নগৰ নামকৰণ কৰা আগতে এই অঞ্চলটোক মেজেঙ্কা গ্ৰাণ্ট, ববকত নামেৰে জনাজাত আছিল। ৰাইজে আলোচনা কৰি চিঠি-পত্ৰ আদান-প্ৰদান, চিনাকি দিবৰ বাবে ববকত বা মেজেঙ্কা নাম নকৈ ভাল নাম দিবৰ বাবে আলোচনা কৰে। উক্ত আলোচনাসভাত ৰাইজৰ সকলোৱে সৰ্বসন্মত ক্ৰমে 'কাঞ্চন নগৰ' নামটো সিদ্ধান্ত কৰি প্ৰস্তাৱ গ্ৰহণ কৰে। 'কাঞ্চন' মানে হৈছে সোণ। সৰ্বসন্মতভাৱে ইয়াক গৃহীত কৰে। ৰাইজে সিদ্ধান্ত কৰি অঞ্চলটোৰ চাৰিওফালে চাৰিখন ফলক লেখি প্ৰতিষ্ঠা কৰে। চৰকাৰৰ লগতে ডাকঘৰ, উপায়ুক্ত কাৰ্যালয়, মহকুমাধিপতি কাৰ্যালয়, চক্ৰবিষয়া কাৰ্যালয়ত যোগাযোগ কৰিবৰ বাবে প্ৰতিটো বিভাগলৈ 'কাঞ্চন নগৰ' নামটো জানিবৰ বাবে এখন পত্ৰ প্ৰেৰণ কৰে। উক্ত নামটো জানিবলৈ বাতৰি কাকতটো প্ৰচাৰৰ কাৰণে দিয়া হয়। লগতে এই অঞ্চলৰ বিভিন্ন ভাষা-ভাষী লোক লগ হৈ ঐক্য সংহতি ৰক্ষা কৰি মিলাপ্ৰীতিৰে বসবাস কৰা দেখা যায়। এই অঞ্চলৰ কাষতে তৃতীয় অসম আৰক্ষী বাহিনীৰ প্ৰধান কাৰ্যালয় আৰু কাষতে চিপহা সত্ৰ আছে। উক্ত অঞ্চলৰ বাসিন্দাসকল বগাৰ গাঁও, তাঁতীগাঁও, কাছুজান, কাবলিবাৰী, তাৰ উপৰিও তৃতীয় অসম আৰক্ষী বাহিনীৰ অৱসৰপ্ৰাপ্ত ব্যক্তিসকলে ঘৰ-বাৰী বনাই বাস কৰিবলৈ লৈছে।

**কাৰলিবাৰীঃ**

তিতাবৰ অঞ্চলৰ এখন ঠাই হৈছে কাৰলিবাৰী। কাৰলিবাৰীৰ পূবে— ধলী-মলিয়া ৰাস্তা, পশ্চিমে— কুহুম চাহ বাগিছা, উত্তৰে— ধলী নদী আৰু দক্ষিণে—বগাৰ গাঁও। উক্ত চাৰিসীমাৰ মধ্যত কাৰলিবাৰী অৱস্থিত।

প্ৰথম অৱস্থাত এই ঠাইত এটা পৰিয়াল আছিল। সেই পৰিয়ালটোত কাৰলি নামেৰে এগৰাকী বুঢ়ী আছিল। কাৰলি মানে হৈছে—কলা। বুঢ়ীগৰাকী কলা হোৱাৰ বাবে আৰু তেওঁ স্ত্ৰী বাবে কাৰলি হ'ল। তাৰপিছত সেই বুঢ়ীগৰাকী বসবাসৰ পাছত সাতঘৰ মানুহ আহি একেডোখৰ ঠাইতে বাস কৰে। তেতিয়াৰ পৰাই বুঢ়ীগৰাকী নাম অনুসৰি 'কাৰলিবাৰী গাঁও' হ'ল।

**খাৰখোৱা গাঁওঃ**

'খাৰখোৱা গাঁও' হৈছে তিতাবৰ অঞ্চলৰ আন এখন ঠাই। খাৰখোৱাৰ উত্তৰে— চকিয়াল, দক্ষিণে—আঠাবাৰী, পশ্চিমে— ভগনীয়া আৰু পূবে এলেঙী। এই চাৰিসীমাৰ মধ্যত খাৰখোৱা গাঁও অৱস্থিত।

ৰজাৰ দিনত ৰজাৰ বিষয়াসকলে বৰতোপৰ খাৰ বনাইছিল। বৰতোপৰ খাৰ কোনো কোনো ঠাইত ৰপ্তানিও কৰিছিল। ৰজাৰ ভয়ত খাবলৈ বনোৱা খাৰ বুলি কৈছিল। অতীজতে এই ঠাইৰ লোকসকলে কলৰ পৰা বনোৱা খাৰ খাইছিল। অন্যঠাইৰ পৰা এজন লোক আহি খুব খাৰ খোৱাৰ বাবে এই ঠাইৰ নামটো 'খাৰখোৱা' নামেৰে নামাকৰণ কৰিলে। এই ঠাইৰ লগত আন ঠাইৰ লোকৰ মাজত মতানৈক্য সৃষ্টি হ'লে 'খাৰখোৱা অসমীয়া' শব্দটো আন ঠাইৰ লোকে ব্যৱহাৰ কৰে।

**এলেঙ্গীঃ**

তিতাবৰ অঞ্চলৰ এখন অন্যতম ঠাই হৈছে এলেঙ্গী। পুৰুযোত্তম আতাৰ আজ্ঞাপৰ বৰ বাৰজনীয়া সত্ৰৰ ভিতৰত শ্ৰীশ্ৰী ভাগৱতী জনা বৰ এলেঙ্গী সত্ৰ, অসমৰ সত্ৰসমূহৰ ভিতৰত এখন প্ৰধান সত্ৰ স্বৰূপে পৰিচিত হৈ আহিছে। ইয়াৰ একাধিক সত্ৰও অসমৰ বিভিন্ন স্থানত আছে। উদাহৰণস্বৰূপে— কাকৰিকটা বৰ এলেঙী, বগী আই এলেঙী, দিখৌমুখীয়া এলেঙী, বালিচাপৰিয়া এলেঙ্গী আদিৰ নাম উল্লেখ কৰিব পাৰি। শ্ৰীমন্ত শংকৰদেৱে প্ৰথমে বৰদোৱাত কীৰ্ত্তন ঘৰ স্থাপন কৰি কীৰ্তন আৰু ঘোষাপুথিৰ দ্বাৰাই বৈষ্ণৱ ভক্তিৰ বাণী প্ৰচাৰ কৰি সত্ৰ আৰু নামঘৰৰ বৃক্ষৰোপন কৰে। ১৮১৬ চনত মানৰ আক্ৰমনৰ সময়ত এটা অংশ ফালৰি কাটি আহি বৰবাম চুঙীত (বৰ্তমান ধলৰসত্ৰৰ ওচৰত) সত্ৰ প্ৰতিষ্ঠা কৰি অসুবিধাৰ সন্মুখীন হোৱাত কাছজান নদীৰ পাৰত (বৰ্তমান এলেঙ্গী স্কুলৰ খেল পথাৰ) সাধাৰণভাৱে ১৮১৭ চনত সত্ৰ প্ৰতিষ্ঠা কৰে।

আহোম ৰজা ৰুদ্ৰসিংহৰ শাসনকালত পদ্মাপাণি আতাৰ চতুৰ্থ পুত্ৰ শ্ৰীৰাম আতাই ৰজাৰ ওচৰত সদায় ভাগৱত পাঠ কৰিছিল। তাতে ৰজা সন্তুষ্ট হৈ তেখেতক ভাগৱতী জনা উপাধি প্ৰদান কৰিছিল। তেতিয়াৰ পৰাই এই সত্ৰখন ভাগৱতী জনা বৰ এলেঙ্গী সত্ৰ নামেৰে জনাজাত হৈ পৰে।

আহোম ৰাজ চ'ৰাত ভাগৱত পাঠেৰে সভাসদসৱৰ মন মুগ্ধ কৰি ভাগৱতী বা ভাগতী নাম

খ্যাত ঋতম্বৰ দেৱ শ্ৰীৰামদেৱৰ পুত্ৰ। তেখেতৰ লগত পুৰণা ভিঠা, সত্ৰীয়া সম্পদ লৈ হোৱা মত দ্বৈৰ ওৰ পেলাই "বৰ এলেঙ্গী সত্ৰক দুভাগ কৰি ভাগৱত, ভুবন মোহন মূৰ্ত্তি, চোঁৱৰ, চন্দ্ৰতাপ, সত্ৰীয়া ভকত, ভকত ঘৰ গ্ৰামীণ দি ঋতম্বৰদেৱক খুটা মৰাই অধিকাৰ পাতিছে আৰু পৰে (তেওঁৰ পুত্ৰ) বাঞ্চাৰামক মহাজন হৈ পুত্ৰপৌত্ৰাদি ক্ৰমে ধৰ্ম ৰক্ষাৰ্থে ভোগ কৰাৰ অধিকাৰ দিয়াৰ কথা স্বৰ্গদেউ কমলেশ্বৰ সিংহই ১৭২১ শকতে সত্ৰলৈ প্ৰদান কৰা তাম্ৰলিপিত উল্লেখ আছে।" তেতিয়াৰ পৰাই এই সত্ৰখনি ভাগৱতীজনা শ্ৰীশ্ৰী বৰ এলেঙ্গী সত্ৰ নামে খ্যাত হ'ল। স্থান পৰিৱৰ্তন কালত নগাঁৱৰ কলিয়াবৰত সত্ৰ প্ৰতিষ্ঠা কৰাৰ পাছত ১৮১৬/১৭ চনত হোৱা মানৰ আক্ৰমণৰ সময়ত সম্ভৱতঃ বাঞ্চাৰাম দেৱেই সশিষ্যে আহি বৰবামচুঙীত অস্থায়ী বহা কৰি কাছজান নৈৰ কাষত প্ৰথম বৰ্তমানৰ অৱস্থাত তিতাবৰস্থ ভাগৱতীজনা শ্ৰীশ্ৰী বৰ এলেঙ্গী সত্ৰ প্ৰতিষ্ঠা হ'ল। কাছজান নৈপৰীয়া হোৱাৰ বাবেই কাছজান এলেঙ্গী সত্ৰ বুলিও খ্যাত। স্থানীয় ৰাইজে চমুকৈ এই ঠাইক এলেঙ্গী নামেৰে নামাকৰণ কৰিলে।

**চকিয়ালঃ**

তিতাবৰ অঞ্চলৰ এখন ঠাই হৈছে চকিয়াল। চকিয়ালৰ পূৱে—বালিপৰীয়া, পশ্চিমে—খাৰখোৱা, উত্তৰে— খাৰখোৱা আৰু দক্ষিণে এলেঙ্গী। এই চাৰিসীমাৰ মধ্যস্থানত চকিয়াল অৱস্থিত।

অতীজতে এই ঠাইত নগাৰ চকী আছিল। এই ঠাইতেই নগা ৰজাই এজন ৰজা পাতি থৈ গৈছিল। ৰজাজনৰনাম আছিল 'কণীখোৱা'। নগাবস্তু খোৱাৰ বাবে তেখেতৰ নাম হৈছে 'কণীখোৱা'। প্ৰতিবছৰে নগাই এইজনৰ লগত নগা হোৱা আদান-প্ৰদান কৰিছিল। নগাই চকী পাতি থোৱা বাবে এই ঠাইক নগা চকিয়াল বুলি কোৱা হয়। পিছলৈ চমুকৈ চকিয়াল বুলি কোৱা হয়।

**ৰঙাপুখুৰী পাৰঃ**

তিতাবৰ অঞ্চলৰ অন্য এটা অঞ্চল হৈছে ৰঙা পুখুৰী পাৰ। ৰঙাপুখুৰীৰ পূৱে—বগাৰ গাঁও-মলিয়া গাঁও ৰাস্তা, পশ্চিমে— গৰিয়াভেটি, উত্তৰে—বগাৰ গাঁও-চকীয়াল ৰাস্তা, দক্ষিণে— হামদৈ পথাৰ। উক্ত চাৰিসীমাৰ মধ্যত ৰঙাপুখুৰী পাৰ অৱস্থিত।

তিতাবৰ অঞ্চলৰ বগাৰ গাঁৱত ৰঙাপুখুৰীটোৱেই হ'ল একমাত্ৰ ৰাজপুখুৰী বা ৰজাদিনৰ পুখুৰী। সম্ভৱতঃ পদুমৰীয়া ন-গোসাঁইৰ বাৰীৰ কাষতে ব্যৱহাৰৰ বাবে এই পুখুৰী লক্ষ্মীসিংহ স্বৰ্গদেৱে খন্দাইছিল। আগতে এই পুখুৰীটোত অপদেৱতা থকা,কালিকা লগা বুলি ভাবিছিল। অতীজত পুখুৰীটোৰ পানী কেতিয়াবা ফটফটীয়া বগা আৰু হঠাতে ৰঙা বৰণৰ হয়। সেইকাৰণে স্থানীয় লোকে ইয়াক ৰঙাপুখুৰী বুলি ক'বলৈ লোৱাত পুখুৰীটোৰ নাম ৰাজপুখুৰীৰ ঠাইত ৰঙা পুখুৰী হয় যেন লাগে। পুখুৰী পাৰতে হোৱা বাবে সেই ঠাইত ৰঙাপুখুৰী পাৰ বুলি কোৱা হয়। ৰঙাপুখুৰী তিনি বিঘা, চাৰি কঠা, দহ লোচা মাটিৰে আৱৰি আছে। ইয়াৰ ডাক নং হৈছে ৬৩৫।

কিন্তু প্ৰতিপালনৰ অভাৱত এই পুখুৰীৰ লুপ্তপ্ৰায় অৱস্থা। বাৰিষা হ'লে পদুম আৰু ভেঁট ফুলেৰে জাতিষ্কাৰ হৈ থকা বিবিধ চৰাইৰ বিচৰণস্থলী সুন্দৰ পুখুৰীটোৰ মনোৰম দৃশ্য আৰু ৰজাদিনীয়া ঐতিহ্য অদূৰ ভৱিষ্যতে ৰক্ষণাবেক্ষণৰ অভাৱত হয়তো হেৰাই যাব। বৰ্তমান অৱশ্যে স্থানীয় পঞ্চায়তে পৰিষ্কাৰ কৰা দেখা যায়।

**মেজেঙ্গাঃ**

তিতাবৰ অঞ্চলৰ এখন অন্যতম ঠাই হৈছে মেজেঙ্গা। অসমৰ প্ৰায় ৮৫০ খন চাহ বাগিচাৰ ভিতৰত মেজেঙ্গা চাহ বাগিচাও অন্যতম। যোৰহাট নগৰৰ পৰা প্ৰায় ১৮ কিলোমিটাৰ দক্ষিণত তিতাবৰ মৌজাত এই বাগিচাখন অবস্থিত। তিতাবৰ এলেকাত থকা ৩৭ খন চাহ বাগিচাৰ ভিতৰত মেজেঙ্গা অতি পুৰণি বাগিচা।

মেজেঙ্গাৰ পূবে— ন আলি যোৰহাট সংযোগী পথ, পশ্চিমে— বগাৰগাঁও, হাযদৈ পথাৰ, উত্তৰে— ধলী নদী আৰু দক্ষিণে— ৰেলপথ। ইয়াৰ মাজৰ ভূ-খণ্ডই মেজেঙ্গা চাহ বাগিচা। মেজেঙ্গা নামৰ উৎপত্তি সম্পৰ্কে দুটা জনশ্ৰুতি শুনা যায়। এটা জনশ্ৰুতিৰ মতে এই হাবিত অন্যান্য মূল্যবান গছৰ লগতে মুগা পলুৱে খোৱা মেজাঙ্কৰী গছ প্ৰচুৰ পৰিমাণে পোৱা গৈছিল। স্থানীয় লোকে এই স্বভাৱজাত মেজাঙ্কৰী গছত মুগা পলু পুহি সেই সূতাৰ পৰা উৎকৃষ্ট মানৰ মেজাঙ্কৰী কাপোৰ তৈয়াৰ কৰি লৈছিল। প্ৰচুৰ পৰিমাণে মেজেঙ্গা গছ থকাৰ কাৰণে স্থানীয় লোকে মেজেঙ্গানী হাবি বুলি ক'বলৈ লয়। পাছলৈ মুখ বাগৰি মেজেঙ্গানী শব্দৰ পৰাই মেজেঙ্গা হ'ল।

দ্বিতীয়টো জনশ্ৰুতি মতে সেই ঠাইডোখৰত মেজেঙ্গা জাতীয় উদ্ভিদে ঠাই খাই আছিল। মেজেঙ্গা দুবিধ পোৱা যায়। তাৰে এবিধ হৈছে তেঙ্গা আৰু আনবিধ মছলাজাতীয়। সৌভাগ্যক্ৰমে ইয়াত দুয়োবিধেই পোৱা গৈছিল। মেজেঙ্গা গছ প্ৰচুৰ পৰিমাণে পোৱা কাৰণে স্থানীয় লোকে এই অঞ্চলটোক মেজেঙ্গানী হাবি বুলি ক'বলৈ লয়। পিছলৈ ৰায়বাহাদুৰ বিষ্ণুৰাম বৰুৱা তহচিলদাৰে চাহ বাগিচা খোলাত হাবিখনৰ নামেৰেই বাগিচা খনৰ নাম মেজেঙ্গা চাহ বাগিচা ৰাখিলে বুলি জনা যায়।

অৱশ্যে প্ৰথমটো জনশ্ৰুতিহে বেছি প্ৰাসংগিক বুলি স্থানীয় লোকে মত পোষণ কৰে। ভাৰতবৰ্ষৰ প্ৰথম ৰেচম পাম মেজেঙ্গাতে প্ৰতিষ্ঠা হৈছিল।

**কুহুমঃ**

তিতাবৰ অঞ্চলৰ আন এখন ঠাই হৈছে কুহুম। কুহুমৰ চাৰিসীমা হ'ল পূবে—কাৰলিবাৰী, বালিপৰীয়া গাঁও, পশ্চিমে— ভগনীয়া আৰু বৰবাম চুঙী, উত্তৰে—ধলী নদী আৰু দক্ষিণে—চকিয়াল। উক্ত চাৰিসীমাৰ মধ্যত কুহুম অবস্থিত।

আগতে ইয়াত মানুহে গৰু চৰোৱা চাপৰি আছিল। মাজেদি হাযদৈ পথাৰৰ পৰা ওলোৱা বোকাজান নামৰ জান এটা বৈ গৈ ধলী নদীৰ লগত মিলি দিলশিৰী পৰিছেগৈ। হয়তো কাকডোঙ্গা নদীৰ পাহৰি যোৱা নাম 'দিলশিৰী'। ইয়াত হাঁহকণীৰ আকৃতিৰ বহুতো টিলা আছিল। সেয়েহে মানুহে ইয়াক কুহুম টিলা বুলি কৈছিল। জনশ্ৰুতিমতে অতীজতে ইয়াত এখন ৰণো হৈছিল। যুদ্ধত মৃত্যুবৰণ কৰা লোকক সমাধিস্থ কৰা এইবিলাক মৈদাম। এতিয়াও দুই-চাৰিটা টিলা দেখিবলৈ পোৱা যায়। অন্য এক কিংবদন্তি মতে ৰজাৰ ঘৰত হাঁহৰ কণী যোগান ধৰা এটা ফৈদ ইয়াত আছিল। ধলী নদী হাঁহ চৰি বহু দূৰলৈ যায় কাৰণে এই টিলাবোৰ তেওঁলোকে বান্ধি লৈছিল। ওচৰতে কুহুম পুখুৰী নামৰ পুখুৰীটোৱেও এই স্মৃতিকে বহন কৰে। এই টিলাবোৰ ভাঙি উইলিয়ামচন মেগৰ কোম্পানীয়ে প্ৰথম চাহ বাগান খুলিছিল যদিও স্থানীয় লোকৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি মণিৰাম দত্ত দেৱান বৰভাণ্ডাৰৰ জোঁৱায়েক ভোবোল খঙীয়া বৰুৱাৰ পুতেক ৰায়বাহাদুৰ বিষ্ণুৰাম বৰুৱা তহচিল দাৰলৈ হস্তান্তৰিত হয়। এতিয়া ইয়াতেই কুহুম চাহ বাগিচা আছে। স্থানীয় ৰাইজে এই ঠাইক চমুকৈ 'কুহুম' নামেৰে নামকৰণ কৰিলে।

**উপসংহাৰ ঃ-**

আমাৰ সমাজত 'নাম' হৈছে কোনো এক উপাদানৰ চিনাকীকৰণৰ পৰিচয় পত্ৰ । এই পৰিচয় পত্ৰই বিশ্বজগতৰ পৰিৱেশ - পৰিস্থিতি, মানৱ প্ৰজাতিৰ মগজু, মনৰ অৱস্থা-ব্যৱস্থা, ক্ৰিয়া-কলাপ আদিৰ প্ৰগতিকো সাঙুৰিছে। গ্ৰীক ভাষাৰ 'অন'মেষ্টি কচ' শব্দই হৈছে অসমীয়াত 'নামতত্ত্ব'। বিষয়বস্তু নামতত্ত্বই নাম সম্বন্ধীয় দৰ্শন, ইতিহাস, মহিমা, অৰ্থ, ভাষাতত্ত্ব, নামকৰণ প্ৰক্ৰিয়া, শ্ৰেণীবিভাজন, অধ্যয়নৰ প্ৰণালী আৰু পদ্ধতি, নামকৰণ কৰা জাতি বা প্ৰজাতিৰ মানসিক অৱস্থা আদি এই সকলোখিনি উপাদানকে সাঙুৰিছে। এই নামতত্ত্ব ধাৰাটিৰ যদিও বৰ্তমান সময়ত নকৈ বিশ্লেষণ আৰম্ভ কৰা হৈছে দৰাচলতে ই সু প্ৰাচীন। নামতত্ত্ব অধ্যয়নৰ প্ৰণালী আৰু পদ্ধতিক প্ৰধানকৈ দুটা ভাগত বিভক্ত কৰিব পাৰি। যেনে — ক্ষেত্ৰভিত্তিক আৰু পুথিভঁৰালমুখী।

স্থাননামতত্ব বা ট'পোনিমি বিষয়টো হৈছে 'অন'মেষ্টি কচ' নামতত্ত্বৰ এটি শাখা। ট'পোনিমি আৰু 'অন'মেষ্টি কচ' হৈছে দুযোটা গ্ৰীক্ শব্দ। স্থাননামৰ অৰ্থ, ব্যাকৰণ, ইতিহাস,পুৰাতত্ত্ব, ভাস্কৰ্য আৰু স্থপতিবিদ্যা, ভূগোল আদিৰ সমল তথা সময়-সাপেক্ষ উপাদান আৰু আন্তঃগাঁঠনিৰ অধ্যয়নক বুজায়। জাৰ্মান পণ্ডিত ফ্ৰেড্ উইলহেমক স্থাননাম অধ্যয়নৰ পিতৃপুৰুষ বোলা হয়। জে. জে. ইগ্ লিগ্‌ক ইংৰাজ সকলে স্থাননামৰ বাটকটীয়া বুলি কৈছিল। নামতত্ত্ব, স্থাননাম তত্ত্বই একো একোটা জাতিৰ এক বিশেষ ঐতিহাসিক সময়ৰ সমাজতাত্ত্বিক, ঐতিহাসিক,ৰাজনৈতিক, নৃতাত্ত্বিক, ভৌগোলিক সমল ধৰি ৰাখে।

'তিতাবৰ অঞ্চলৰ ঠাইৰ নাম তাৎপৰ্যঃ এক অধ্যয়ন' বিষয়ক প্ৰকল্পটিৰ পৰা আমি জানিব পাৰিলো যে যোৰহাট জিলাৰ অন্তৰ্ভুক্ত তিতাবৰ হৈছে এটা মহকুমা। তিতাবৰ বুলি ক'লে আচলতে এটি বৃহৎ অঞ্চল সামৰি লয়। তিতাবৰ, আমগুৰি-খৰিকটীয়া, ঠেঙাল আৰু বৰহোলা মৌজাক লৈ তিতাবৰ বুৰঞ্জীয়ে পৰশা এটি অঞ্চল। তিতাবৰৰ বিধায়ক তৰুণ গগৈৰ দিনতে তিতাবৰ মহকুমা হ'ল। ২০০২ চনত তিতাবৰক মহকুমা বুলি ঘোষণা কৰা হৈছিল। অৱশ্যে ইয়াৰ আনুষ্ঠানিকতা ২০০৩ বৰ্ষৰ ২২ ফেব্ৰুৱাৰীত সম্পন্ন কৰা হয়। এই মহকুমাটোৰ সদৰ হৈছে তিতাবৰ। সৰ্বমুঠ ৬৩২.৮৯ বৰ্গ কিলোমিটাৰ ভূমিৰে তিতাবৰ মহকুমাটো আবৰি আছে। ২০১১ বৰ্ষৰ তথ্য অনুসৰি মহকুমাটোত ৰাজহ গাঁৱৰ সংখ্যা হৈছে ২২৭ খন। ২০১১ বৰ্ষৰ লোকপিয়ল মতে তিতাবৰৰ জনসংখ্যা হৈছে ২০১৭৯১।

তিতাবৰ আন্তৰ্গত বহুতো ঠাই আছে। অৰ্থাৎ তিতাবৰৰ গাঁৱে-ভূঁঞে বহুতো ঠাই সামৰি লৈছে। তিতাবৰ অঞ্চলৰ কিছুমান ঠাইৰ নামৰ তাৎপৰ্য ঐতিহাসিক ঘটনাই গুৰুত্ব প্ৰদান কৰিছে। তিতাবৰ অঞ্চলৰ লোকসকল প্ৰায় কৃষি লগত জড়িত। তিতাবৰ অঞ্চলৰ অন্তৰ্গত বিভিন্ন ঠাই সমূহৰ উৎপত্তিৰ উৎস আৰু ইতিহাস সম্পৰ্কে জানিব পৰা গৈছে। প্ৰকল্পটোত আলোচনা কৰা ঠাই সমূহত বিভিন্ন জনগোষ্ঠীয় লোকে বাস কৰে। গতিকে উপৰোক্ত কথাখিনিৰ উপৰিও তিতাবৰ অঞ্চলৰ বিভিন্ন ঠাই সমূহৰ লগত জড়িত বহুতো নজনা কথা জনাৰ লগতে ভালেখিনি নতুন তথ্য পোৱা গ'ল।

**গ্ৰন্থপঞ্জী ঃ**


শইকীয়া, বুদ্ধীন্দ্ৰনাথ ঃ হীৰক ৰশ্মি, স্মৃতিগ্ৰন্থ, প্ৰকাশক ঃ হীৰক জয়ন্তী উদ্‌যাপন সমিতি, ২০১৯ খ্ৰীষ্টাব্দ

ফুকন, শৰৎ কুমাৰ ঃ নামতত্ত্ব, ভৱানী অফচেট এণ্ড ইমেজিং চিষ্টেম প্ৰাইভেট লিমিটেড, গুৱাহাটী

প্ৰসঙ্গ টোকা ঃ-

১) নামতত্ত্ব, শৰৎ কুমাৰ ফুকন, পৃ. ২
২) নামতত্ত্ব, শৰৎ কুমাৰ ফুকন, পৃ. ১৪
৩) উল্লিখিত, পৃ. ৩২
৪) উল্লিখিত, পৃ. ৪৯
৫) উল্লিখিত, পৃ. ৫০
৬) উল্লিখিত, পৃ. ৫১
৭) উল্লিখিত, পৃ. ৯৬
৮) উল্লিখিত, পৃ. ৯৭
৯) হীৰক ৰশ্মি, স্মৃতিগ্ৰন্থ, সম্পা. ড° বুদ্ধীন্দ্ৰনাথ শইকীয়া, পৃ. ৭২, পৃ. ৭৩, পৃ. ৭৬, পৃ. ৭৮, পৃ. ৭৯, পৃ. ৮৪

## তথ্যদাতাৰ তালিকা ঃ-



| ক্রমিক নং. | তথ্যদাতাৰ নাম | বয়স | বৃত্তি |
|---|---|---|---|
| ১ | ভোলানাথ শৰ্মা | ৮৭ | শিক্ষক |
| ২ | ইন্দ্ৰকান্ত শইকীয়া | ৬১ | অৱসৰপ্ৰাপ্ত ৰেচম বিভাগৰ কৰ্মচাৰী |
| ৩ | জুনু দেৱী | ৬৮ | গৃহিণী |
| ৪ | মুকুন্দ পাঠক | ৭২ | পুৰোহিত |
| ৫ | অশোক পাঠক | ৫৩ | কৃষক |
| ৬ | জ্যোতি পাঠক | ৬২ | গৃহিণী |
| ৭ | অৰ্চনা দেৱী | ৪৫ | গৃহিণী |
| ৮ | ৰীতামণি পাঠক | ৫২ | গৃহিণী |
| ৯ | অপূৰ্ব বৰদলৈ | ৩৯ | কৃষক |
| ১০ | চেনীৰাম ৰহি দাস | ৫৫ | কৃষক |
| ১১ | প্ৰদীপ হাজৰিকা | ৫৮ | কৃষক |
| ১২ | প্ৰণিতা হাজৰিকা | ৫৫ | গৃহিণী |
| ১৩ | পলি হাজৰিকা | ৩৫ | গৃহিণী |
| ১৪ | বাবুল শইকীয়া | ৩২ | কৃষক |
| ১৫ | দেৱীপ্ৰসাদ শইকীয়া | ৭৩ | কৃষক |
| ১৬ | মোহন বাঘবৰা | ৫১ | কৃষক |
| ১৭ | উমা শইকীয়া | ৫১ | কৃষক |
| ১৮ | ৰীতামণি শইকীয়া | ৫০ | গৃহিণী |
| ১৯ | পূৰ্ণিমা শইকীয়া | ৫১ | গৃহিণী |
| ২০ | বৰ্ণালী শইকীয়া | ৩১ | শিক্ষয়িত্ৰী |
| ২১ | সুনিল শইকীয়া | ৩৫ | ব্যৱসায় |
| ২২ | অপূৰ্ব শইকীয়া | ৩৫ | কৃষক |
| ২৩ | হেম হাজৰিকা | ৬৬ | কৃষক |
| ২৪ | চিন্ময়ী হাজৰিকা | ৩০ | ব্যৱসায় |
| ২৫ | সেউজী শইকীয়া | ৫৬ | গৃহিণী |
| ২৬ | কল্যাণজ্যোতি হাজৰিকা | ৫২ | গাঁওবুঢ়া |
| ২৭ | কমলাকান্ত গগৈ | ৬১ | গাঁওবুঢ়া |

| | | | |
|---|---|---|---|
| ২৮ | দিপালী গগৈ | ৫৩ | গৃহিণী |
| ২৯ | অঞ্জলি গগৈ | ৩৪ | গৃহিণী |
| ৩০ | দীপশিখা গগৈ | ৩২ | গৃহিণী |
| ৩১ | কৃষ্ণ কছাৰী | ৮২ | কৃষক |
| ৩২ | তৃষ্ণা শইকীয়া | ৩২ | গৃহিণী |
| ৩৩ | ৰাখী কছাৰী | ৩৫ | গৃহিণী |
| ৩৪ | দিপান্ত কছাৰী | ৩৯ | কৃষক |
| ৩৫ | ৰেখামণি শইকীয়া | ৫২ | গৃহিণী |
| ৩৬ | ৰূপালী কছাৰী | ৪৮ | গৃহিণী |
| ৩৭ | মিতালী শইকীয়া | ৪৫ | চাকৰি |
| ৩৮ | নবীন চন্দ্ৰ দাস | ৫৯ | চাকৰি |
| ৩৯ | নিম দাস | ৩২ | চাকৰি |
| ৪০ | দীপক পাটগিৰি | ৭০ | অৱসৰপ্ৰাপ্ত বিষয়া |
| ৪১ | ৰুণু দাস | ৫৪ | গৃহিণী |
| ৪২ | ইউচেভ আহমেদ | ৫০ | ড্ৰাইভাৰ |
| ৪৩ | ঊষা পাটগিৰি | ৫০ | ড্ৰাইভাৰ |
| ৪৪ | লোকেন দত্ত | ৭০ | কৃষক |
| ৪৫ | তুলসী তামুলী | ৮১ | কৃষক |
| ৪৬ | ৰীমা তামুলী | ৬৫ | গৃহিণী |
| ৪৭ | প্ৰদীপ কুৰ্মী | ৫০ | শিক্ষক |
| ৪৮ | ৰুবুল তামুলী | ৩৫ | শিক্ষক |
| ৪৯ | নিৰ্মল চন্দ্ৰ দাস | ৫৯ | চাকৰি |
| ৫০ | লক্ষেশ্বৰ দাস | ৬৩ | অৱসৰপ্ৰাপ্ত বিষয়া |
| ৫১ | ফণীধৰ শইকীয়া | ৭৮ | কৃষক |
| ৫২ | যোগেন শইকীয়া | ৭৫ | কৃষক |
| ৫৩ | জেতুকী শইকীয়া | ৬০ | গৃহিণী |
| ৫৪ | বন্দনা বড়া | ৩৫ | গৃহিণী |
| ৫৫ | মনালিছা বড়া | ৩৩ | গৃহিণী |
| ৫৬ | জিতামণি শইকীয়া | ৩৩ | গৃহিণী |

| | | | |
|---|---|---|---|
| ৫৭ | পল্লৱী শইকীয়া | ৩৮ | গৃহিণী |
| ৫৮ | বিতোপন শইকীয়া | ৩২ | কৃষক |
| ৫৯ | লক্ষেশ্বৰ কুৰ্মী | ৪৮ | বাগানৰ চৰ্দাৰ |
| ৬০ | নিৰ্মালী কুৰ্মী | ৩২ | চাকৰি(বাগান) |
| ৬১ | বিষ্ণু কুৰ্মী | ৪৫ | চকীদাৰ |
| ৬২ | সুণিত কুৰ্মী | ৫৭ | লাইন চকীদাৰ |
| ৬৩ | সদাৰাম কুৰ্মী | ৬০ | চকীদাৰ |
| ৬৪ | ৰমেশ কুৰ্মী | ৪৫ | চকীদাৰ |
| ৬৫ | বিৰেশ্বৰ ৰাও | ৪৮ | চাকৰি(বাগান) |
| ৬৬ | ৰমেন কুৰ্মী | ৩৯ | কৃষক |
| ৬৭ | বিপিন মহন্ত | ৭২ | ডেকা সত্ৰাধিকাৰ |
| ৬৮ | নৰজ্যোতি মহন্ত | ৪০ | কৃষক |
| ৬৯ | জুৰি মহন্ত | ৩৯ | গৃহিণী |
| ৭০ | প্ৰিয়ৰাম কলিতা | ৭২ | কৃষক |
| ৭১ | ভৱেশ কলিতা | ৫৫ | কৃষক |
| ৭২ | লক্ষ্মী কলিতা | ৪৫ | গৃহিণী |
| ৭৩ | ইন্দ্ৰেশ্বৰ কলিতা | ৫৪ | শিক্ষক |
| ৭৪ | মহেন্দ্ৰ গগৈ | ৬৪ | গাঁওবুঢ়া |
| ৭৫ | মনালিছা গগৈ | ৩৪ | গৃহিণী |
| ৭৬ | অনন্ত গগৈ | ৪০ | কৃষক |
| ৭৭ | সত্যজিৎ গগৈ | ৩৫ | মিস্ত্ৰী |
| ৭৮ | হেমকান্ত দাস | ৫৪ | কৃষক |
| ৭৯ | পুতুল দাস | ৫১ | কৃষক |
| ৮০ | জোনালী দাস | ৩৬ | গৃহিণী |
| ৮১ | ভূপেন বৰুৱা | ৪৮ | ব্যৱসায় |
| ৮২ | অনামিকা দাস | ৩৭ | গৃহিণী |
| ৮৩ | বন্দিতা দাস | ৪৫ | গৃহিণী |
| ৮৪ | খগেশ্বৰ দাস | ৬৫ | কৃষক |
| ৮৫ | মাখন দাস | ৬৩ | অৱসৰপ্ৰাপ্ত বিষয়া |
| ৮৬ | তনুৰাম ভৰালী | ৭০ | কৃষক |